চান্দমামা

অকট'বাৰ ১৯৯৫



Sunday, Piano, Nursery Rhymes
*It's **Morton** for me all the time*

MORTON
SWEETS

I Love my Sundays ..... Nursery Rhymes and my Mummy close to me and Mortons
all the time. It has been our Family's favourite for years and years.
Delicious and yummy in so many flavours. All with the goodness of
Creamy Milk, Glucose and Sugar.
Chocolate and Coconut Cookies, Rose Eclairs, Supreme
Chocolate and Coconut Toffees, Lacto Bonbons Mango King
and so many other delicious treats.
Um m m m m Every bite a yummy delight.

A lifetime of real goodness

MORTON CONFECTIONERY & MILK PRODUCTS FACTORY
P.O. : Marhowrah 841 418 Dist. : Saran, Bihar

CC/M-1/93

Caution Notice :
MORTON and its wrappers are registered trade mark of Upper Ganges Sugar Industries Ltd. Any infringement of trade mark rights is liable to prosecution.



চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

প্ৰাইমৰ বিজয় ৰেখা
PRIME LEADER
PRIME GENIUS
MATHEMATICAL DRAWING INSTRUMENTS
PRIME RANK
PRIME
PRIME MERIT
WINNER
আগবঢ়োৱা হৈছে অতি উৎকৃষ্ট মানৰ এক কম্পাচ বক্স যাক অতি মাত্ৰা শুদ্ধতা, সম্পূৰ্ণ নিয়ন্ত্ৰণ আৰু বেচি দক্ষতা দিবৰ বাবে বিশেষভাৱে ডিজাইন কৰা হৈছে।
আপোনাৰ কণমানি প্ৰতিভাময় সন্তানটিৰ হাতত তুলি দিয়ক প্ৰাইমৰ সুবিধা। দেখিব, সকলো এবি ইয়েই হৈ পৰিছে তেওঁৰ সৰ্বক্ষণৰ লগৰী।
প্ৰাইম মেৰিট
প্ৰাইম ৰেঙ্ক
প্ৰাইম জিনিয়াচ
প্ৰাইম লীডাৰ
◀ মেথেমেটিকেল ড্ৰইং ইন্সট্ৰুমেন্ট ▶
PIDILITE PRODUCTS

PID 63 95 ASS

Electronic accompaniment for screams, shouts and yodels.
They're here! An international range of safe, electronic playthings. Toys that sing, dance, walk, talk, shriek and climb. From Mum Toys. Just right for that li'l livewire at home.
RAP DANCER
Handy inspiration for budding showmen... Yo!
BIRTHDAY CAKE PIANO
Happy birthday tunes for the young-at-heart
POWER SAUCER TOP
Space-age spinners for underage earthlings
PIANO PENCIL BOX
The sound of music for young warblers
RAP CASSETTE
Foot-tapping rhythms for the Michael Jackson wannabe
MUM TOYS
HEAD OFFICE: M.M.Toys Industries Ltd., 5, Chandra Bagh Avenue, Mylapore, Madras-4. Ph: 835151, Fax: 843919.
8018.96

গৌতম গোস্বামী
২০/১০/১৯৯৫

চান্দমামা

*

অকট'বাৰ ১৯৯৫

এই * আছে

সংখ্যাত

*

পৃথিৱীৰ খিৰিকীৰে	৯	হাৰি ভূত	৩৭
শ্ৰেষ্ঠ বিজয়	১০	বুদ্ধিৰ চিন	৪১
পঢ়ন-চচমা	১৫	মহাভাৰত	৪৫
ৰূপধৰৰ যাত্ৰা	১৭	কুকুৰা ক'লৈ যায়	৫২
চান্দমামা-সম্বাদ	২৪	চান্দমামা-ক্ৰোড়পত্ৰ	৫৩
সমগ্ৰ পৃথিৱীৰ আত্মীয়	২৫	বাপেকৰ বিয়া	৫৬
জান-মান	৩২	মাতৃমন্ত্ৰ	৫৭
ভাৰতৰ দুৰ্গ	৩৩	পাপৰ গ্ৰাস	৬১

*

ফটো-প্ৰতিযোগিতা-পুৰস্কাৰ : ৬৫

চান্দমামা : খনে : ৫'০০ টকা মাথোন

বছৰেকীয়া বৰঙনি : ৬০'০০ টকা মাথোন

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

বছৰৰ নাম আৰু আমাৰ কাম

চীনদেশৰ সংস্কৃতি মতে, প্ৰতিটো বছৰৰ এটিকৈ ন-নাম দিয়া হয়, যেনে : 'কুকুৰৰ বছৰ (Year of the Dog)'। আমাৰ দেশতো, কিছুমান অঞ্চলত, এই প্ৰথা নথকা নহয়, ৰিশেষকৈ তামিল বছৰৰ নামকৰণ কৰা হয়। ভাৰতৰ এই বছৰটোক ভাৰত চৰকাৰে 'যুব-বৰ্ষ' বুলি নামকৰণ কৰা হৈছে। ইয়াৰ আগতে—ৰাষ্ট্ৰসংঘই, সমগ্ৰ পৃথিৱীৰ বাবে বছৰ এটাৰ নামকৰণ কৰিছিল—'শিশু-বৰ্ষ', আৰু এই ১৯৯৫ চনৰ বছৰটোৰ নামকৰণ হ'ল : 'সহনশীলতাৰ বৰ্ষ'।

১৯৭৯ চনৰ 'শিশুবৰ্ষ' আছিল শিশুসকলৰ বিভিন্ন অধিকাৰ প্ৰতিষ্ঠাৰ বছৰ। ১৯৯৪ বছৰটো আছিল 'পাৰিবাৰিক মংগল'ৰ।

ভাগবদ্গীতাই সুপ্ৰাচীন কালৰেপৰাই উক্ত বিষয়ত শত্ৰু-মিত্ৰ আত্মীয়-অনাত্মীয় নিৰ্বিশেষে মৰম-চেনেহ শ্ৰদ্ধা-সন্মান জ্ঞাপনৰ কথা কোৱা হৈছে। গীতাত 'সহনশীলতা'ৰ আদৰ্শ দাঙি ধৰা হৈছে।

মহাত্মা গাঁধীয়ে (গান্ধী) ধৰ্মক 'আত্ম-জ্ঞান' বা 'আত্মোপলব্ধি'ৰ এক প্ৰকৃষ্ট মাধ্যমৰূপে অভিহিত কৰিছিল। তেওঁ কৈছিল : "মই সকলো ধৰ্মমতৰ প্ৰতি সমভাবসম্পন্ন, কিয়নো, সকলো ধৰ্মমতেই একেই সত্যক প্ৰকাশ কৰে।" তেওঁ কৈছিল যে—মানৱৰ অন্যতম প্ৰধান গুণ হ'ব লাগিব 'সহনশীলতা'।

১৯৯৫ হ'ল গাঁধীজীৰ ১২৫তম জন্মোৎসৱৰ বছৰ। এই বছৰটোকেই সন্মিলিত ৰাষ্ট্ৰসংঘই সহনশীলতাৰ বছৰ বুলি অভিহিত কৰাটো আমাৰ পক্ষে অতি গৌৰৱজনক নহয়নে?

আহক, আমিও সহনশীল হওঁ।

বছৰ : ২০   অকট'বাৰ ১৯৯৫   সংখ্যা : ৭

খনে ৫'০০ টকা :: বছৰেকীয়া বৰঙনি ৬০'০০ টকা



BACK TO SCHOOL WITH CHELPARK
WAX CRAYONS
chelpark
CHELPARK RANGE OF PRODUCTS
WAX CRAYONS, WATER COLOUR CAKES, PEN, PENCIL, INK, OIL PASTELS, MOPPLES COLOUR SET, WATER COLOUR SET.
chelpark
CHELPARK COMPANY PVT. LTD.
Rajajinagar,

পৃথিৱীৰ খিৰিকীৰে
তল-বৈৰী ওপৰ-বন্ধু

ৰুশ্ দেশে মহাকাশলৈ 'মিৰ' নামৰ যি মহাকাশ-যান পঠাইছিল, সেই মহাকাশযানৰ সৈতে যোৱা জুনৰ ২১ৰ দিনা আমেৰিকাৰ মহাকাশযান 'আ্যাটলানটিছ' লগ লাগিলগৈ।

এনেহেন আচৰিত 'ডকিং' অৰ্থাৎ সংযুক্তকৰণ বিগত বিছ বছৰত এয়া দ্বিতীয় বাৰ। ১৯৭৫ চনৰ জুলাইত আমেৰিকাৰ মহাকাশযান 'আ্যাপোলো' চোভিয়েত ৰুশৰ 'চয়ুজ'ৰ সৈতে লগ লাগিছিলগৈ। তেতিয়া ৰুশ্বে-আমেৰিকাই 'শীতল যুদ্ধ' চলি থকাত এই ঘটনাৰ ৰাজনৈতিক গুৰুত্ব সিমান নাছিল, যদিও মহাকাশ-বিজ্ঞানৰ কৃৎ-কৌশল আছি অতি মহত্বপূৰ্ণ।

তাৰ পাছত—চোভিয়েত দেশ খণ্ডীকৃত হ'ল, আৰু স্বাভাৱিক নিয়মতে—এদিন ৰুশ-আমেৰিকাৰ বৈৰিতাৰো অন্ত পৰিল, আৰু লগে লগে উভয়ে উভয়ৰ প্ৰতি বন্ধুত্বৰ হাত বঢ়াই দিলে। আৰু তাৰ ফল স্বৰূপে মহাকাশ-বিজ্ঞানৰ চৰ্চাত প্ৰায় ১৫খন দেশ আগবাঢ়ি আহিল। এই কাৰণে মহাকাশত স্থায়ী ষ্টেশ্যন নিৰ্মিত হ'ল আৰু উত্তৰোত্তৰ পৰীক্ষা-নিৰীক্ষা চলি থাকিল।

জুনৰ ২৭ তাৰিখে সাত-গৰাকী মহাকাশযাত্ৰীক লৈ 'আ্যাটলানটিছ' উৰিল। দুই দিন ধৰি 'মিৰ'ৰ লগে লগে পাক খাই থাকিল মহা-শূন্যত। তাৰ পাছত এদিন 'মৰ'ৰ সৈত লগ লাগিব-পৰা হ'ল আৰু তেতিয়া হাউস্টনৰপৰা, কালিনিক-গ্ৰাদৰপৰা একযোগে সংকেত জনোৱা হ'ল সেই মহাকাশ-চাৰীসকললৈ : মিৰত প্ৰৱেশ কৰক। আৰু এই সংকেত পঠোৱাত বিজ্ঞানী-সকলক দুই ঘণ্টা সময়ৰ আৱশ্যক হৈছিল। আৰু তাৰ পাছত মহাকাশচাৰীসকলে 'মিৰ'ত সোমাই পৰস্পৰক আলিংগন কৰিছিল।

এই সংযুক্তিকৰণ হৈছিল ৰুশীয় মধ্য এছিয়া আৰু মংগোলিয়াৰ সীমান্তবৰ্তী ঠাইত। এই সংযুক্তিকৰণ আছিল পৰিপূৰ্ণ ত্ৰুটিহীন। তেতিয়া দুয়োখন মহাকশযানৰ গতিবেগ আছিল ছেকেণ্ডত ৫ মাইল। 'আ্যাটলানটিছ'ৰ দৈৰ্ঘ্য আছিল ১২২ ফুট আৰু 'মিৰ'ৰ দৈৰ্ঘ্য আছিল ১১২ ফুট। এই সংযুক্তিকৰণত উৎফুল হৈ আমেৰিকাৰ কম্যাণ্ডাৰ ক্যাপটিন গিবে কৈ উঠিছিল : "আমি ধৰিলোঁ!"

তাৰ পাছত, পাঁচদিনৰ অন্তত 'মিৰ'ৰ নৰ্ম্যান থাগাৰ্ডে আন তিনিগৰাকী মহাকশচাৰীক লগত লৈ 'আ্যাটলানটিছ'লৈ আহিল, আৰু দুই-গৰাকী গ'লগৈ 'চয়ুজ'লৈ। আৰু তাৰ পাছত—তাৰপৰা পুনৰ 'মিৰ'লৈ যোৱাৰ ফটো লোৱা হ'ল। তাৰ পাছত 'আ্যাটলানটিছ' পুনৰ মহাশূন্যৰপৰা পৃথিৱীলৈ উভতি আহিল।

এই ঐতিহাসিক সংযুক্তিকৰণ তথা 'মিলন'ৰ দৃশ্য চাই আমেৰিকাৰ ৰাষ্ট্ৰপতি বিল ক্লিনটনে কৈ উঠিছিল, "দেখিছেনে, আমাৰ দেশ দুখনৰ মাজত বিন্দুমাত্ৰ বৈৰিতা নাই।"



শ্ৰেষ্ঠ বিজয়

দণ্ডকবনৰ সীমাত খণ্ডহৰ নামৰ অঞ্চলত ভীল সম্প্ৰদায়ৰ মানুহৰ বসবাস আছিল। তেতিয়া ভীলহঁতৰ চৰ্দাৰ আছিল সিংহবল।

এতিয়া সিংহবল বুঢ়া হ'ল। এসময়ত যিজন সিংহবলে মাত্ৰ ডেগাৰেৰে বাঘ মাৰিব পাৰিছিল, সেই সিংহবলক এতিয়া খোজ লওঁতে লাঠি লাগে! এনে অৱস্থাত সিংহবলে এদিন স্থিৰ কৰিলে যে ভীল-হঁতৰ বাবে নতুন চৰ্দাৰ পাতিব লাগিব।

ভীলহঁতৰ মাজত আটাইতকৈ সাহিয়াল আৰু বলীয়েই চৰ্দাৰ হয়। চৰ্দাৰ পতাৰ বাবে প্ৰতিযোগিতা পতা হয়, সেই প্ৰতিযোগিতাত বিজয়ী হয়গৈ চৰ্দাৰ।

সিংহবলৰ কোনো ল'ৰা নাছিল, আছিল এজনী ছোৱালী। এই একমাত্ৰ আৰু ধুনীয়া ছোৱালীজনীৰ নাম নিনি।

নিনি দেখাই-মেলাই—ভীল-ৰূপৱতী। গতিকে—পৰৱৰ্তী চৰ্দাৰে চৰ্দাৰীৰ লগতে নিনিকো পাব—এয়া প্ৰচলিত ভীল-ৰীতি। কিন্তু—এই প্ৰতিযোগিতা বৰ কঠিন।

ভীলহঁতৰ মাজত নন্দুয়া নামৰ এক সাহসী আৰু বলী যুৱক আছিল। নন্দুয়া দেখাতো অগটী নহয়। সিংহবলৰ বেটী নিনিৰ সৈতে নন্দুয়াৰ মিঠা মিঠা চিনাকি আছিল আৰু সিহঁতে ইজনে সিজনক বিয়া কৰাব বুলিও সৈ কাঢ়িছিল।

যি কি নহওক সিংহবল চৰ্দাৰে নতুন চৰ্দাৰ পতাৰ বাবে প্ৰতিযোগিতাৰ দিন-ক্ষণ জাৰী কৰিলে আৰু এই কথা জাৰী হোৱাৰ কথা শুনা মাত্ৰেই নন্দুয়াই চৰ্দাৰী আৰু লগতে নিনিকো পোৱা যে পালে নেই। নিজৰ বাহুবলৰ ওপৰত অপাৰ

বিনয় বৰা

আস্থাশীল নন্দুয়াই ভাবিলে : কোননো মোৰ আগতো তিষ্ঠিব ? তিষ্ঠিবলৈ আহে যদি—যমৰ আলহীহে হ'বগৈ।

ভীলহঁতৰ মাজত মন্দাৰ নামৰ এজন যুৱা আছিল। মন্দাৰ আছিল পিতৃহীন, কিন্তু তাৰ মাক মাণ্ডৱী তেতিয়াও জীয়াই আছিল। ভীলহঁতৰ মাজত সিংহবলক ভয় তথা শ্ৰদ্ধা নকৰা মানুহ এজনো নোলাব, কেৱল এই মাণ্ডৱী বাদে। মাণ্ডৱীয়ে সিংহবলৰ ক্ৰুৰতাৰ কথা জানিছিল।

মাণ্ডৱীৰ গিৰিয়েক খণ্ডাৰক যে এই সিহংবলেই মাৰি পেলাইছিল, সেই কথা আন কেৰে নাজানিলেও মাণ্ডৱীয়ে জানে। জানে যে—খণ্ডাৰৰ শক্তি-সাহসৰ কথাত সিংহবলে ভয় কৰিছিল — কেতিয়াবা হয়তো এইজন খণ্ডাৰেই— সিংহবলক হৰুৱাই বা মাৰি পেলাই ভীল-চৰ্দাৰ হ'বগৈ।—এই কাল্পনিক ভয়তে সিংহবলে কোনো চিন-মোকাম নথকাকৈ খণ্ডাৰক মাৰি পেলাইছিল, কিন্তু মাণ্ডৱীৰ দৃষ্টিক ফাঁকি দিব পৰা নাছিল সিংহবলে। তেতিয়া খণ্ডাৰৰ ল'ৰা মন্দাৰ মাত্ৰ চাৰি বছৰীয়া।

তেতিয়া এদিন মাণ্ডৱীয়ে সিংহবলক কৈছিল, "সিহংবল, যি-কাৰণে তুমি মোৰ পতিক হত্যা কৰিলা, সেই কাৰণে ময়ো শপত খাই কৈছোঁ, এই ভীলহঁতৰ চৰ্দাৰ হ'বলৈ মই ল'ৰাটোক গঢ়ি তুলিম, আৰু তোমাৰ এই চক্ৰান্তৰ হোৰ তুলিম।"

সিংহবলে হাঁহি মাৰি কৈছিল, কেনেকৈয়ো সম্ভৱ ? এয়া অসম্ভৱ কথা।

তাৰ পাছত সিংহবলে মাণ্ডৱীৰ কথা, আৰু মাণ্ডৱীকো পাহৰিয়েই পেলাইছিল ; কিন্তু মাণ্ডৱীয়ে এটি দিনৰ বাবেও তাইৰ প্ৰতিজ্ঞা পাহৰি থকা নাছিল, তাই মন্দাৰক বিভিন্ন ঠাইলৈ পঠিয়াই ধনু-কাঁড়, যাঠি-লাঠি, দা-কুঠাৰ, খড়্গ-তৰোৱালৰো শিক্ষা দিয়াইছিল, আৰু এইদৰে মন্দাৰ হৈ উঠিছিল এক অকল্পনীয় শক্তি-সাহসৰ

অধিকাৰী এক চফল ভীল।

কিন্তু তাৰ এই শক্তি-সাহসৰ কথা কোনেও যেন গম নাপায়—মাক মাওৰীৰ সেই কথাটো সি আখৰে আখৰে পালন কৰিছিল। সি তাৰ শৌৰ্য্য-বীৰ্য্যৰ সামান্য মানো আনকি দহোখন গাঁৱৰ ক'তো-কেতিয়াও প্ৰকাশ কৰা নাছিল।

ভীলইঁত হ'ল কালী গোসাঁনীৰ ভক্ত। প্ৰতি বছৰৰ বিশেষ এটা দিনত ধুমধামেৰে কালী-গোসাঁনীৰ মহোৎসৱ পতা হৈছিল, আৰু প্ৰতি পাঁচ বছৰৰ বাদে বাদে এই উৎসৱৰ দিনতে নতুন চৰ্দাৰ বিচাৰি উলিয়াবৰ বাবে বিৰাট ধুমধামেৰে প্ৰতিযোগিতা পতা হৈছিল — সাহস আৰু শক্তি পৰীক্ষাৰ প্ৰতিযোগিতা।

এই প্ৰতিয়োগিতা আছিল ঘাইকৈ তিনিবিধৰ। মালযুঁজ, মাত্ৰ ডেগাৰ এখন হাতত লৈ বাঘ-যুঁজ, আৰু ধনু-কাঁড়েৰে লক্ষ্যভেদ। ধনু-কাঁড়ৰ—অৰ্থাৎ লক্ষ্যভেদ পৰীক্ষাটো আছিল আটাইতকৈ কঠিন। কালী গোসাঁনীৰ মূৰ্তিৰ আগত হালধিৰ গুড়ি আৰু কুঙ্কুম থৈ দিয়া হৈছিল এখন কাঁহীত। কাঁড় এনেকৈ মাৰিব লাগিব—যাতে সেই হালধি-কুঙ্কুম কাঁড়ৰ আঘাতেৰে কালীৰ গালৈ উফৰি পাৰেগৈ।

সিংহবলে প্ৰতিযোগী যুৱকইঁতক দুভাগত ভগালে আৰু প্ৰথমতে মাল-যুঁজৰ প্ৰতিযোগিতা আৰম্ভ কৰিবলৈ আদেশ দিলে। মালযুঁজত যথাক্ৰমে নন্দুয়া আৰু মন্দাৰ প্ৰথম আৰু দ্বিতীয় স্থানাধিকাৰী হ'ল।

তাৰ পাছত—সৰু ডেগাৰ এখনকৈ হাতত লৈ নন্দুয়া আৰু মান্দাৰ বাঘৰ গৰালৰ ভিত লৈ গ'ল, আৰু দুয়োজনে দুটা বাঘৰ সৈতে মাৰোঁ-জীওঁকৈ যুঁজিলে। বাঘ দুয়োটায়েই মৰিল, কিন্তু নান্দুয়া আৰু মন্দাৰো বেয়াকৈ জখম হ'ল।

আৰু তিনিদিনৰ বিৰতিৰ অন্তত আৰম্ভ হ'ব ধনু-কাঁড়ৰ প্ৰতিযোগিতা।

এই প্ৰতিযোগিতা হ'ব লাগিব—কালী গোসাঁনীৰ মহোৎসৱৰ দিনা।

বাঘৰ লগত বৰ-যুঁজ দিয়াৰ পাছত নন্দুয়াই মন্দাৰৰ শক্তি-সামৰ্থ্যৰ ভু পালে, আৰু আৰ-তাৰপৰাও ল'লে, লগতে এই কথাটোও জানি ল'লে যে—ধনুৰ্বিদ্যাতে মন্দাৰ তাতকৈ ঢেৰ আগবঢ়া, আৰু এই প্ৰতিযোগিতাত মন্দাৰ যে বিজয়ী হ'ব—সেই কথাত নন্দুয়াৰ সন্দেহ নাথাকিল। আৰু আন দুটাত যিহেতু দুয়ো সমান সমান—সিহেতুকে মন্দাৰেইযে চৰ্দাৰ হ'ব সেই কথা ধুৰুপেই।

আৰু মন্দাৰ চৰ্দাৰ হোৱাৰ অৰ্থ হ'ল—নিনিকো মন্দাৰেই পাব।

নান্দুয়া অতি হতাশ হৈ পৰিল আৰু কথাটো নিনিক ক'লেগৈ। সকলো কোৱাৰ অন্তত নন্দুয়াই নিনিকো ক'লে, "মন্দাৰো যে ইমান শক্তিমান—আমি ইমান দিনে নাজানিছিলোঁ। ধনুৰ্বিদ্যাত তাক মই একোপধ্যেই হৰুৱাব নোৱাৰিম যেনেই পাইছোঁ।"

শুনি নিনিয়ে উচুপিবলৈ ধৰিলে। তাই ক'লে, "তোমাক যদি নাপাওঁ, মই কাৰো নহওঁ, মই আত্মঘাতী হ'ম। আন কাৰোবাৰ সৈতে বিয়া সোমোৱাৰ মোৰ ফালৰপৰা কোনো প্ৰশ্নয়েই নুঠে।"



দুয়ো এই বিষয়ে গভীৰ আলোচনা কৰিলে আৰু পাছদিনা নিনিয়ে মন্দাৰৰ ভৰি ছুই সেৱা কৰি তাক ক'লে, "ককাইদেউ, তোমাৰ ভনীয়েৰাৰ মনৰ ইচ্ছা পূৰণ কৰাৰ সুবিধা দিয়া, নহ'লে মোৰ আগত মৰণৰ বাহিৰে আন কোনো উপায় নাই।" এই বুলি কৈ তাই উচুপিবলৈ ধৰিলে।

তেতিয়া মন্দাৰে নন্দুয়াক ক'লে, "তোমালোকে মোৰ বৰ জটিল সমস্যাত পেলালা। এয়া—মোৰ কাৰণে এক কঠিনৰো কঠিন পৰীক্ষা। এই প্ৰতিযোগিতাত বিজয়ী হোৱাটো মোৰ জীৱনৰ

ব্ৰত আছিল। মোৰ মাতৃক মই কথা দিছিলোঁ এই প্ৰতিযোগিতাত বিজয়ী হোৱাৰ। যি কি নহওক—মোক সঁচাকৈ কোৱাচোন নন্দুয়া — তোমাক ভীল জাতিৰ চৰ্দাৰী লাগেনে নিনিক লাগে ?"

নন্দুয়াই তৎক্ষণাৎ কৈ উঠিল, "ভীলৰ চৰ্দাৰীত মোৰ মনত সামান্য আকাংক্ষাও নাই, কিন্তু নিনিক যদি নাপাওঁ—ময়ো মৰিমেই। নিনি মোৰ হৃদয়ৰ মণি।"

"তোমাৰ এই সত্য উত্তৰ শুনি মই ভাল পাইছোঁ।" এই বুলি কোৱাৰ অন্তত মন্দাৰে নিনিক নিঃচিন্ত মনেৰে ঘৰলৈ যাবলৈ ক'লে, আৰু নিনি গুচি যোৱাৰ পাছত মন্দাৰে নন্দুয়াক ধনুৰ্বিদ্যাৰ গূঢ় কলা-কৌশল শিকাই দিলে।

পাছদিনা ভীল-দেৱী কালী গোসাঁনীৰ মূৰ্তিৰ আগত সকলো ভীল সমৱেত হ'ল আৰু কুঙ্কুমৰ থালীলৈ টোঁৱাই কাঁড় নিক্ষেপ কৰা হ'ল। কিন্তু মন্দাৰৰ কাঁড় লক্ষ্যভ্ৰষ্ট হ'ল।

তাৰ পাছত নান্দুয়াৰ পাল পৰিল। সমবেত ৰাইজৰ এবুকু উৎকণ্ঠাৰ মাজত নন্দুৱাই কাঁড় এৰিলে, আৰু চকুৰ পচাৰ নৌ পৰোঁতেই হালধি-কুঙ্কুম কালী-গোসাঁনীৰ মূৰ্তিলৈ উফৰি পৰিলগৈ।

ৰাইজে এক বিৰাট হৰ্ষধ্বনি কৰি নন্দুয়ালৈ অভিনন্দন জানালে। নন্দুয়াই চৰ্দাৰীৰ লগতে নিনিকো পালে, কিন্তু তথাপি সি বিজয়ত আনন্দিত হোৱাৰ সলনি বিমৰ্ষ হৈ থাকিল।

কিন্তু মন্দাৰৰ চকুত তেতিয়া বিজয়ীৰ দৃষ্টি!

পাছত মন্দাৰে তাৰ মাতৃক সকলো ঘটনা বিবৰি কোৱাৰ অন্তত ক'লে, "মা, ত্যাগতকৈ শ্ৰেষ্ঠ বিজয় এই জগতত আৰু কিবা আছেনে ?"

মাক মাওৰীয়ে অপাৰ মৰমেৰে পুত্ৰক বুকুত আঁকোৱালি ল'লে।

পঢ়ন চচমা

ৰতনপুৰ গাঁৱৰ ৰমক যদিও এজন সাধাৰণ হালোৱা, তথাপি আবেলিপৰত গাঁৱৰ নামঘৰৰপৰা অলপ আঁতৰত গছ এজোপাৰ তলত বহা মেলত প্ৰতিদিনেই সি যোগ দিছিল। যোগ দিছিল মানে—ৰমকে মেলুৱৈহঁতৰ ইকথা-সিকথা-সকলো কথা থিয়ৈ থিয়ৈ শুনিছিল আৰু কেতিয়াবা দুই-এষাৰ মাতো মাতিছিল। তেতিয়া কোনোবা-কুনুবিয়ে তাক লৈ ধেমালি-ধুমুলা কৰিছিল, আৰু সি লাজ পাই খোজ লৈছিল; যদিও পাছ দিনা পুনৰ মেললৈ আহিছিল সি।

এদিন মেলত পৰমেশ নামৰ মানুহ এজন আহিল। মেলুৱৈ এজনে পৰমেশক সুধিলে, "তুমি চকুৰ ডাক্তৰৰ ওচৰলৈ যাবা বুলি কৈছিলা যে—নোযোৱানে কি?"

পৰমেশে তাৰ চোলাৰ জেপৰপৰা চচমা এযোৰ উলিয়াই আনিলে আৰু ক'লে, "গৈছিলোঁ। এয়া চোৱা—ডাক্তৰে দিয়া চচমা। এই চচমা পিন্ধামাত্ৰেই মই সকলো বিধৰ আখৰ পঢ়িব পৰা হৈছোঁ।"

এজনে কৈ উঠিল, "ময়ো যাম এইজন ডাক্তৰৰ ওচৰলৈ, কিয়নো—ময়ো পঢ়িব নোৱাৰা হৈ আছোঁ।"

পাছদিনাই ৰমকে সেইজন ডাক্তৰক বিচাৰি ওলাল—যিজান পৰমেশক চচমা-যোৰ দিছিল।

গৈ গৈ আন এখন গাঁও পাই তাত মানুহ এজনক সুধিলে ৰমকে, "হে—ৰি, আমাৰ গাঁৱৰ পৰমেশক চচমা দিয়া ডাক্তৰ ক'ত থাকে—ক'ব পাৰিবনে?"

মানুহজনে যেতিয়া ভেবা লাগি মূৰ

স্নেহলতা ভট্টাচাৰ্য্য

জোকাৰিলে, তেতিয়া ৰমকে তেনেকৈ বহুতকে সুধিলে।

তাৰ পাছত এজন মানুহে ৰমকৰ নখৰপৰা নাকলৈকে চাই লৈ ক'লে, "তুমি কোন—বা তোমাৰ পৰমেশ কোন—চচমা—এইবোৰ কথা ধোঁৱাচাঙত তুলি থোৱা, কাকো আৰু নোকোৱাই ভাল। পিছে—চকুৰ ডাক্টৰ ইয়াতো এজন আছে —চুপচাপ সেই ডাক্টৰৰ ওচৰলৈ যোৱাগৈ। সুন্দৰডাক্টৰ বুলি যাক সুধিবা, দেখুৱাই দিব। এতিয়া যোৱা।"

ৰমকৰপৰা সকলো কথা শুনি সুন্দৰ ডাক্টৰে ৰমকক ক'লে, "পৰমেশ—নামৰ মানুহ এজনক চচমা মই দিলোঁ, পিছে—সেই পৰমেশ তোমালোকৰ গাঁৱৰ হয়নে নহয়—সেই কথা কোৱা টান।"

"যি হওক-যাহওক—মোকো পৰমেশক দিয়াৰ দৰে চচমা দিয়ক।" ৰমকে ক'লে।

ডাক্টৰে ফলি এখনত লিখা আখৰবোৰলৈ আঙুলিয়াই ৰমকক ক'লে, "প ঢ়া চো ন — ডাঙৰ আখৰৰপৰা সৰু আখৰলৈকে যিমান পাৰা—পঢ়া।"

কিন্তু ৰমকে এটা আখৰো পঢ়িব নোৱাৰিলে। তেতিয়া ডাক্টৰে ৰমকৰ চকুত বিধেবিধ চচমা লগালে। কিন্তু কোনো চচমাৰেই ৰমকে এটা আখৰো পঢ়িব নোৱাৰাত ডাক্টৰে আচৰিত মানিলে।

ডাক্টৰে ক'লে, "তোমাৰ চকুত যে কি বেমাৰ হৈছে—মই দেখোন একোকে ঠাৱৰেই কৰিব পৰা নাই।"

ৰমকে ক'লে, "আমাৰ গাঁৱৰ পৰমেশে আপোনাৰ চচমাৰেহে পঢ়িব পৰা হৈছে। মই আখৰ চিনিও নাপাওঁ, পঢ়িবও নোৱাৰোঁ; কিন্তু পঢ়াৰ বৰ মন। সেই দেখিহে —পঢ়ন —চচমা এযোৰৰ বাবে আপোনাৰ কাষ চাপিছিলোঁহি।"

ৰমকৰ এই কথা শুনি চকুৰ ডাক্টৰে দিনতে এন্ধাৰ দেখিলে।





২

[আগৰ কথা : দেশলৈ বুলি ওলাই সানুচৰ ৰূপধৰ সমুদ্ৰৰ বুকুত দিশহাৰা হৈ পৰিল ধুমাৰ্জয় ধুমুহা-বৰষুণৰ কবলত পৰি আৰু উটি উটি ফাললোচন নামৰ নৰ-ৰাক্ষসইতৰ দেশ পালেগৈ। তাত প্ৰকাণ্ড গুহা এটা দেখা পাই—গুহাৰ ভিতৰত কি আছে-কি নাই চাবলৈ কেইজনমান অনুচৰৰে সৈতে সোমাল আৰু ফাললোচন এটাৰ হাতত বন্দী হৈ পৰিল। আৰু তাৰ পাছত···]

ফাললোচন ৰাক্ষসৰ চিঞৰ শুনি গ্ৰিক সৈন্যইতৰ বুকুৰ তেজ গোট মাৰোঁ মাৰোঁ হ'ল। ৰূপধৰে সাহস সঞ্চয় কৰি নৰ-ৰাক্ষস ফাললোচনক ক'লে, "শুনা হে ফাললোচন, আমি হ'লো ট্ৰয়ৰপৰা ঘৰলৈ উভতি যোৱা গ্ৰিক সৈনিক। সমুদ্ৰত প্ৰচণ্ড ধুমুহা উঠাত দিশহাৰা হৈ তোমালোকৰ দেশ পাইছোঁহি, আমাৰ মহাৰাজ ৰাৱাজাৰ নাম জগতৰ সকলোটিয়েই জানে। আমি তোমালোকৰ আলহী। গতিকে—আলহীৰ প্ৰাপ্য সা-সুবিধা আমাক দিবা বুলি আশা কৰিছোঁ। ঈশ্বৰে তোমাৰ মংগল কৰক।"

একে উশাহতে কৈ যোৱা ৰূপধৰৰ কথাত সেই বিৰাট-বিকট নৰ-ৰাক্ষস ফাললোচন পোনতে ভেৰা লাগিই, কিন্তু ৰূপধৰৰ শেষ বাক্যষাৰ শুনিয়েই ফাললোচনে বিকট ভাবে হাঁহিলে আৰু

'নৰ-ৰাক্ষসৰ কবলত'

তেতিয়া ফাললোচনে অলুলৈকে উলিয়াই হাঁহিলে তাৰ বিৰাট হাত প্ৰসাৰিত কৰি দুজন গ্ৰিক সৈনিকক থাপ মাৰি ধৰিলে আৰু সিহঁতক টিপা মাৰি মাৰি পেলাই কেঁচাই কেঁচাই কপক্ কপক্কৈ খাই পেলালে।

এই ভয়ংকৰ ঘটনা নিমিষেতে ঘটি গ'ল আৰু ৰূপধৰ আৰু অন্যান্য সৈন্যহঁতো বিচলিত হৈ পৰিল। কিন্তু ফাললোচন নিৰ্লিপ্ত-নিশ্চিন্ত হৈ থাকিল। নৰমাংস পৰিতৃপ্তিৰে খাই, তাৰ পাছত কেই কলহমান ভেড়াৰ গাখীৰ খাই নিঃচিন্ত মনেৰে শুই টোপনিৰ জালত লাল-কাল হৈ পৰিল।

আৰু তেতিয়া ৰাক্ষসটোক খতম্ কৰিবলৈ ৰূপধৰে খাপৰপৰা তৰোৱাল উলিয়ালে।

কিন্তু কথা এটা মনত পৰাত তৰোৱাল আকৌ খাপত ভৰাই থ'লে।

কথাটো আছিল এয়ে যে—নৰ-ৰাক্ষস ফাললোচনে যিচটা বিৰাট শিলেৰে গুহাৰ দুৱাৰমুখ বন্ধ কৰিলে, সেইচটা শিল গুচাবৰ শক্তি ৰূপধৰ আৰু তেওঁৰ সৈনিকহঁতৰ নাই। গতিকে--ৰাক্ষস ফাললোচনক যদি ঘচংকৈ একেঘাপে কাটি পেলোৱা হয়—কেনেকৈনো সেই

ক'লে, "হেৰ মূৰ্খ, কোনো ঈচৰ-ফিচৰলৈ আমি পৰোৱা নকৰোঁ। আমাৰ আগত দেৱতা-ঈশ্বৰ আদি কোনো ৰকম খেৰ-কুটাও নহয়। আমাৰ শক্তিৰ আগত সিহঁত —বেটাহঁত নিগনিও নহয়। এইবোৰ বাদ দিয়া, কোৱা, তোমালোকৰ নাও ক'ত থৈছা, ওচৰতেনে দূৰত।"

নৰৰাক্ষস ফাললোচনৰ অভিপ্ৰায়ৰ উমান লৈ ৰূপধৰে সাবধানতাৰে ক'লে, "আমাৰ নাওবোৰ তোমালোকৰ সাগৰ-পৰীয়া পাহাৰৰ গাত ঠেক খাই টুকুৰা-টুকুৰা হৈ গ'ল আৰু আমাৰ কিছুমান সৈনিকক সমুদ্ৰই উটুৱাই লৈ গ'ল।"

গুহামুখৰ শিলচটা আঁতৰ কৰিব? নোৱাৰিব। আৰু সেই বিৰাট গধুৰ শিলচটা আঁতৰাব নোৱাৰে যদি— তেনেহ'লে এই গুহাৰ ভিতৰতে তিলে তিলে মৰিব।

এইবোৰ কথা ভাবোঁতে-গুণোতে উৰাই ৰাতি কেতিয়া যে পুৱাই গ'ল, ৰূপধৰৰ হুঁচেই নাই।

ৰাতি পুৱাল, ফাললোচন জাগি উঠিল, ভেড়াবিলাকৰ গাখীৰ খীৰালে, আৰু তাৰ পাছত ভেড়াৰ সেই বিৰাট জাকটোক গুহাৰপৰা উলিয়াই দিলে আৰু তাৰ পাছত—গুহাৰ দুৱাৰমুখত—সেই প্ৰকাণ্ড শিলচটা পুনৰ লগাই দিলে, যাৰ ফলত ৰূপধৰ বা তেওঁৰ অনুচৰহঁতো গুহাৰপৰা ওলাব নোৱৰা হ'ল।

ৰূপধৰ বিৰাট সমস্যাৰ সন্মুখীন হ'ল আৰু বৰ্তমান অৱস্থাৰ কথা চিন্তা কৰি থাকিল।

নৰ-ৰাক্ষস ফাললোচন গুহাৰপৰা ওলাই যোৱাৰ পাছত ৰূপধৰে এই গুহাৰপৰা যেনেতেনে ওলোৱাৰ উপায়ৰ কথা গভীৰভাৱে ভাবি থাকিল আৰু বাধাত পৰি বুদ্ধিমতী দেৱীক সুঁৱৰি থাকিল।

আৰু ভাবি ভাবি অৱশেষত উপায় এটা কথমপি উলিয়ালে ৰূপধৰে।



ফাললোচনে কঢ়িয়াই অনা খৰিকাঠৰ বিৰাট দ'মটোলৈ ৰূপধৰে চালে আৰু আৰু সেই দ'মটোৰপৰা বাছি বাছি কেঁচা খৰিকাঠবোৰৰ এমূৰ বেজীৰদৰে জোঙা কৰিলে আৰু জোঙা খৰিবোৰ তাত থকা পাহাৰৰ দৰে বিৰাট ওখ গোবৰৰ দ'মৰ মাজত ভৰাই থ'লে।

গধূলি হওঁ হওঁ হ'ল, আৰু ভেড়াৰ জাকটোৰে সৈতে নৰ-ৰাক্ষস ফাললোচন গুহালৈ উভতি আহিল। ফাললোচনে ভেড়াৰ গাখীৰ খীৰালে আৰু তাৰ পাছত দুজন গ্ৰিক সৈনিকক থাপ মাৰি ধৰি মহা আনন্দৰ সৈতে জুইত সেঁকি খালে।



ৰূপধৰে বিনা প্ৰতিবাদেৰে ফাল-লোচনৰ এই অতপালি সহ্য কৰিলে আৰু একপাত্ৰ মদ ফাললোচনক দিলে আৰু ক'লে, "হোঁ, এইখিনি চাকি চোৱা, যদি ভাল পোৱা, আৰু দিয়া যাব। মানুহৰ মঙহৰ সোৱাদহে পাইছা তুমি, এই বস্তুৰ সোৱাদেই বেলেগ। এই বস্তু আমি তোমাৰ বাবেহে লৈ আহিছোঁ।"

ৰূপধৰৰপৰা মদৰ পাত্ৰ লৈ ফাললোচনে একে শোহাই পি-খালে, আৰু পাছ মুহূৰ্ততে ৰূপধৰৰপৰা পুনৰ মদ খুজি ৰূপধৰলৈ চালে আৰু ক'লে, "আছে যদি —আৰু দিয়া। হোঁ, আৰু—তোমাৰ নামটো কি, কোৱা। আমাৰ মতে আমি তোমালোকৰ সোধ-পোছ কৰিম, চিন্তা নকৰা। ইয়াত আমিও আঙুৰৰ ৰস পি-খাওঁ, কিন্তু সেই মাল ইমান বঢ়িয়া নহয়। এই মালৰ মজা বেলেগ। হোঁ, কোৱাঁ, তোমাৰ নাম কি।"

ৰূপধৰে ক'লে, "মোৰ নাম—কেৱল মানুহ।"

ফাললোচনে ক'লে, "এ—কেৱল মানুহ, মাল দিয়া, তুৰন্তে মাল দিয়া। যেতিয়ালৈকে মোৰ নিচা মজাদাৰ নহয়, তেতিয়ালৈকে তোমাক নেৰিছোঁ।"

ৰূপধৰে আৰু কেইপাত্ৰ মদ ফাল-লোচনক দিলে, আৰু টেকেলী টেকেলীয়ে মদ খাই এসময়ত ফাললোচন একেবাৰে বেহুঁচ হৈ বাগৰি পৰিল।

আৰু তেতিয়াই ৰূপধৰে আন কেইজন-মানক লগত লৈ সেই গোবৰৰ দ'মত লুকুৱাই থোৱা জোঙা জোঙা খৰিকাঠ লৈ নৰ-ৰাক্ষসৰ ফাললোচনৰ চকুত জোৰেৰে ভৰাই দিলে।

ফাললোচনে বিকট আৰ্তনাদ কৰি জাগি উঠিল আৰু তাৰ দুচকুৰপৰা সেই জোঙা জোঙা কাঠ নিজেই উলিয়াই আনি দলিয়াই পেলালে। কিন্তু তিমানতে সি তাৰ সেই চকুযুৰিৰে একোকে নেদেখা

হৈ পৰি ককবকাই আছিল।

ফাললোচনে একো দেখা নাপাই পুনৰ আৰ্তনাদ কৰি উঠিল, আৰু সেই আৰ্তনাদ শুনি আন আন গুহাত থকা ফাললোচনহঁত লৰবি আহিল আৰু গুহাৰ দুৱাৰ মুখত থিয় হৈ সিহঁতে এই ফাললোচনক সুধিলে, "বোলোঁ হেই—তোৰনো কি হৈছে? ইমানকৈ চিল্লাইছ কেলে'? তোৰ ভেড়াবোৰ কোনেও চুৰ কৰিলেনে কি? ক' ক', নহ'লে শো—আৰু আমাক শুবলৈ দে। ক' কি হৈছে, তোক কোনোবাই মাৰিছেনে কি?"

"হয়, হয়—মোক কেৰল মানুহে মাৰিছে।" ফাললোচনে চিঞৰি ক'লে।

"কেৰল মানুহে—মানে কি? তোৰ মাথা খাৰাপ হ'লনে কি? বেওকুফৰ দৰে বকৰ বকৰ নকৰি পুনৰ চুপচাপ শোগৈ যা। তয়ো শো, আমাকো শুবলৈ দে। ৰাতিপুৱা দেখা যাব। "এই বুলি কৈ সেই ফাললোচনহঁত তাৰপৰা গুচি গ'ল নিজ নিজ গুহালৈ।

চকুৰে একোকে নমনা ফাললোচন আন্ধাৰে-মুন্ধাৰে খেপিয়াই গুহাৰ দুৱাৰ-মুখলৈ গ'ল আৰু দুৱাৰমুখতে বহি থাকিল, কেৰল মানুহ, আৰু তাৰ লগৰীয়াহঁত গুহাৰপৰা ওলাই যাব নোৱাৰিব—এয়ে আছিল তাৰ অভিপ্ৰায়। কেৰলমানুহ বা তাৰ লগৰীয়াহঁত যদি ওলাবলৈ চেষ্টা

কৰে, সি সিহঁতক খপ্‌ কৰে ধৰি কপ্‌ কৰে খাই পেলাব পাৰিব।

কিন্তু ফাললোচন বাৰেৰে, ৰূপধৰো তেৰেৰে। ৰূপধৰ কোনো সাধাৰণ মানুহ নাছিল, ৰূপধৰৰ আছিল তীক্ষ্ণ বুদ্ধিশালী। এই নৰ-ৰাক্ষসৰ কবলৰপৰা, তথা এই গুহাৰপৰা কেনেকৈ ওলাব— ৰূপধৰে ক্ৰমাগত ভাবে তাৰ উপায় চিন্তি আছিল। আৰু অৱশেষত এটা বিশেষ উপায় ৰূপধৰে আৱিষ্কাৰ কৰিলে।

এই নৰ-ৰাক্ষসৰ ভেড়াবোৰ আছিল অতি নোদোকা তথা হৃষ্ট-পুষ্ট আৰু শক্তিশালী। ভেড়াবোৰৰ গাৰপৰা আনকি পেটৰ তলৰ পৰাও ডাঠ নোমবোৰ ওলমিছিল। ৰূপধৰে তিনিটাকৈ ভেড়াক একলগকৈ বান্ধিলে, আৰু সিহঁতকেটাৰ পেটৰ তলত তেওঁৰ এজনকৈ অনুচৰক অৰ্থাৎ গ্ৰিক সৈন্যক ভেড়াৰ নোমৰে সৈতে বান্ধি দিলে।

এইদৰে সৈনিককেইজনৰ ওলোৱাৰ বন্দৰস্ত কৰাৰ পাছত ৰূপধৰে এটা প্ৰকাণ্ড ভেড়াৰ পেটৰ তলত নিজকো নিজেই বান্ধিলে।

ইতিমধ্যে ৰাতি পুৱাল, আৰু সদায়-ওলাই যোৱাৰ দৰে ভেড়াবোৰ গুহাৰ দুৱাৰেৰি ওলাই গৈ থাকিল। ফাললোচনে ভেড়াবোৰৰ পিঠিৰ ওপৰত থপৰ থপৰকৈ থপথপাই মৰম কৰিলে, আৰু লগতে এক অতি দুৰ্বোধ্য মাতেৰে ভেড়াবোৰক কিবা-কিবি ক'বলৈ ধৰিলে। কিন্তু ভেড়াবোৰ পেটৰ তলৰ ফালে শুই শুই তাৰ শত্ৰু তথা খাত্তহঁত যে ওলাই পলাই গ'ল, মূৰুখৰো মূৰুখ ফাললোচনে সেই কথা একেবাৰেই ঠাৰৰ কৰিব নোৱাৰিলে।

আৰু এই একে উপায়েৰেই ৰূপধৰো যেতিয়া ওলাই যাবলৈ ধৰিলে, তেতিয়া চকুৰে নমনা ফাললোচনে সেই প্ৰকাণ্ড ভেড়াটোক ৰখালে আৰু তাৰ পিঠিৰ ওপৰত থপৰিয়াই ক'বলৈ ধৰিলে, "কি

হ'ল আজি তোমাৰ—বুবডং ? নিতৌ দেখোন সকলোটিতকৈ আগে ওলোৱা, আজিনো পিছে কিয় ? মই অন্ধ হোৱাত তোমাৰ—বেয়া লাগিলনে ? সেইহেনে ইমানপৰে মন মাৰি বহি আছিলা ? যোৱা, যোৱা, ময়ো তোমাৰ পিছে পিছে আহিছোঁ—গুহাৰ দুৱাৰমুখ শিলচটাৰে বন্ধ কৰিব লাগিব—যাতে সেই বদমাছ কেৰলমানুহ আৰু তাৰ লেমটৌহঁত ওলাই যাব নোৱাৰে। যোৱা—যোৱা—ওলাই যোৱা বুবডং !"

ফাললোচনে প্ৰকাণ্ড সেই ভেড়াটোক গুহাৰপৰা উলিয়াই দিলে, আৰু অলপো লৰচৰ নকৰাকৈ ভেড়াটোৰ পেটৰ তলৰ ফালে নোমত ধৰি শুই থকা ৰূপধৰে সেই অভিশপ্ত গুহাৰপৰা ওলায়েই মাটিৰ ওপৰত ভৰি দি খাপৰপৰা চোকৰ তৰোৱাল উলিয়াই হাতত লৈ থিয় দিলে।

আৰু তাৰ পাছত ৰূপধৰে দ্ৰুতগতিৰে ভেড়াৰ পেটৰ তলৰপৰা সৈনিকহঁতক মুক্ত কৰি দ্ৰুতগতিৰে সমুদ্ৰৰ পিনে দৌৰি দৌৰি যাবলৈ ধৰিলে—যিমান শীঘ্ৰে সম্ভৱ নাৱত উঠিবলৈ।

ৰূপধৰৰ আদেশত তেতিয়াই নাৱত উঠি পুনৰ যাত্ৰা আৰম্ভ হ'ল। ৰূপধৰৰ কথা হ'ল: নৰ-ৰাক্ষস ফাললোচনহঁতৰ এই ভয়ংকৰ দেশ যথাশীঘ্ৰে অৱশ্যেই এৰি যাব লাগে।

সৈন্যহঁত নাৱত উঠিল, কিন্তু সমুদ্ৰৰ প্ৰচণ্ড ঢৌৰ কাৰণে নাওবোৰ গভীৰ সমুদ্ৰলৈ লৈ যোৱা সুকঠিন হৈ পৰিল। এনেতে—সেই অন্ধ ফাললোচনে এচটা প্ৰকাণ্ড শিল— ৰূপধৰৰ সৈন্যহঁতৰ কোৰ্হাললৈ মন কৰি সেই পিনে দলিয়াই মাৰিলে—আৰু সেই প্ৰকাণ্ড শিলচটাই সমুদ্ৰৰ প্ৰচণ্ড ঢৌবোৰক ভাঙি দিয়াত ৰূপধৰৰ নাওবোৰে স্বচ্ছন্দে গভীৰ সমুদ্ৰৰ বুকুলৈ গতি ল'ব পাৰিলে। [আগলৈ

চান্দমামা-সম্বাদ

জন্তুৰ জয়জয়!

আমেৰিকাৰ ওৰেগান ষ্টেটৰ ন্যাশনাল পাৰ্কত যোৱা জুনৰ ২১-ৰ দিনা ফ্ৰাংক মিলাৰ নামৰ যুৱক এজনে তেওঁৰ প্ৰেমিকাৰ সৈতে ফুৰি আছিল। মিলাৰৰ লগত 'বেব' নামৰ কুকুৰ এটা আছিল, প্ৰেমিকাৰ পৰামৰ্শ• মিলাৰে কুকুৰটো এৰি দিলে —সি-ও ঘূৰি ফুৰ চাই আহককৈ। কুকুৰটোৱে দৌৰ দৌৰ ঘূৰি-ফুৰ থাকোঁতে, বৰফে আগুৰা পুখুৰ

এটাৰ ভিতৰলৈ পিছল খাই পৰিল, ৪০ফুট গভীৰ পানী থকা পুখুৰীটোৰপৰা ওলাই আহিব নোৱৰা হ'ল। মিলাৰে-প্ৰেমিকাই মিলি কুকুৰটোক বহু সময় ধৰি বিচাৰিলে, কিন্তু 'বেব'ক বিচাৰি নাপালে। তেতিয়া—'বেব'ৰ খেলৰ সামগ্ৰীটোও পুখুৰীটোলৈ দলিয়াই পেলাই বিষাদ-বিষণ্ণ মনেৰে পাৰ্কৰপৰা গুচি গ'ল। কিন্তু সাত দিনৰ অন্তত কুকুৰটো অক্ষত অৱস্থাত উভতি আহিল। কুকুৰটোৱে হেনো ২৯ কিল'মিটাৰ ঘূৰি ঘূৰি কথমপি বাট উলিয়াইছিল! পাৰ্কৰ বৰমূৰীয়াই এই ঘটনা উল্লেখ কৰি কৈছিল, "কিছু কিছু ক্ষেত্ৰত জন্তুৰ ক্ষমতা মানুহতকৈ অধিক। জন্তুৱে কৰিব নোৱৰা কাম নাই!"

শোকাঘাত!

কেৰলবাজ্যৰ সুনীলৰ মেকুৰী পোহাৰ বৰ চখ। সুনীলৰ মেকুৰীৰ সংখ্যা সাত। মেকুৰীবিলাকৰ মাজত অম্মানি নামৰ মেকুৰীজনীক নজনা মানুহ গাঁৱত তথা সেই অঞ্চলতো বিচাৰি পাবলৈ নাই। এই মেকুৰীজনীয়ে বিস্কিট আৰু কেঁচা জলকীয়াহে খায়, তাইৰ আগত থৈ দিলেও মাছ নাখায়-নোছোৱে। অম্মানি অতি সংযত স্বভাৱৰ মেকুৰী। গাঁৱৰ বাইজে অম্মানিৰ বিষয়ে আজৰ আজৰ তাজ্জৱ কথা কয়। সম্প্ৰতি থলুৱা বাতৰি-কাকত এখনত অম্মানিৰ ফটো ওলাল, আৰু লগতে খবৰো ছপা হ'ল। আৰু ঠিক তাৰ পাছদিনাই অম্মানিৰ মৃত্যু হ'ল। দুই দিনৰ পাছত সুনীলৰ দেউতাকৰো মৃত্যু হ'ল; আৰু আন ছজনী মেকুৰীও এদিন-দুদিনৰ বাদে বাদে মৰিল। সুনীল এতিয়া অত্যন্ত শোকগ্ৰস্ত। সুনীলৰ চকুৰ ইমানতে অন্ত, সুনীলে আৰু মেকুৰী নোপোহে!

কৃত্ৰিম কলিজাৰ কাহিনী!

টোকিঅ' বিশ্ববিদ্যালয়ৰ চিকিৎসা-বিভাগে পাঁচ বছৰীয়া ছাগলী এজনীক কৃত্ৰিম কলিজা দিছিল এতিয়াৰপৰা চাৰিশ দিনৰ আগতে। সেই কৃত্ৰিম কলিজাৰে সৈতে ছাগলীজনী এতিয়াও খাই-বৈ জীয়াই আছে। ইয়াৰ আগতে—১৯৭২ চনত আমেৰিকাৰ এক বিশ্ববিদ্যালয়ে আন এক জন্তুত এই কৃত্ৰিম কলিজা স্থাপন কৰিছিল, আৰু সেই জন্তুটো কৃত্ৰিম কলিজাৰ সৈতে সৰ্বমুঠ ৮৮ ঘণ্টাহে জীয়াই আছিল।

সমগ্ৰ পৃথিৱীৰ আত্মীয়

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্যই যেতিয়া পুনৰ গছৰপৰা মৃতদেহটো কান্ধত ওপৰত পেলাই লৈ নিকপকপীয়া এন্ধাৰৰ মাজেদি সেই মৰিশালিলৈ বুলি গৈ থাকিল, তেতিয়া মৃতদেহৰ মাজত থকা বেতালে পুনৰ কৈ উঠিল, "হে ৰাজন্! কোনোবাই বা কোনোৰাজনীয়ে তোমাৰপৰা দয়া বা কৃপা প্ৰাৰ্থনা কৰা যেনহে মোৰ অনুমান হৈছে। নহ'লে—কিয়ৰাজসুখ তিয়াগি যুগ যুগ ধৰি তুমি এনেকৈ অশেষ শ্ৰম কৰিছা? কিন্তু তোমাক সময়োচিত সতৰ্কতাৰে কওঁ, ইন্দ্ৰপুৰীৰ মহাৰাণী ইন্দুমতীৰ সত্য কাহিনী শুনা, আৰু তাৰ পাছত নিজৰ বিষয়ে বিবেচনা কৰাঁ। মহাৰাণী ইন্দুমতীৰ কাহিনী শুনি তোমাৰ আন উপকাৰ নহ'লেও পথশ্ৰম নিশ্চয় কিঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ইন্দুমতীৰ কাহিনী ক'বলৈ ধৰিলে:

'বেতাল-কথা'

মহাৰাণী ইন্দুমতী আছিল ইন্দ্ৰপুৰীৰ ৰজা জয়কেতনদেৱৰ পাটৰাণী। বাৰ বছৰৰ আগতে তেওঁৰ বিবাহ সম্পন্ন হোৱা সত্বেও অদ্যাপি কোনো সন্তান নহ'ল তেওঁৰ। সন্তান-কামনা কৰি মহাৰাণী ইন্দুমতীয়ে কত যে দেৱ-দেৱীক পূজিলে, আৰু এতিয়াও পূজি আছে, তাৰ সীমা-সংখ্যা নাই। দৰাচলতে, জগতত যত দেৱ-দেৱী আছে, তেওঁ সকলোকে পূজিলে, কিন্তু কোনো দেবতাই বা দেৱীয়ে মহাৰাণী ইন্দুমতীক সন্তান এটি দিব নোৱাৰিলে।

কাতি মাহৰ শনিবাৰ দিনা আই ষষ্ঠী গোসাঁনীৰ মন্দিৰত পূজা আগ কৰোঁতে মন্দিৰৰ পুৰোহিতক মহাৰাণীয়ে কথাই কথাই ক'লে, "কি কাৰণে যে দেৱ-দেৱী-সকল মোৰ প্ৰতি বিমুখ, নুবুজা হৈছোঁ।"

পুৰোহিতে মহাৰাণীক ক'লে, "মহাৰাণী, তথাপি নিৰাশ নহ'ব। এদিন-নহয়-এদিন আপোনাৰ বাসনা নিশ্চয় পূৰিব। ইমান প্ৰচেষ্টা ব্যৰ্থ হ'ব নোৱাৰে।"

ইন্দুমতীয়ে গোসাঁনীক সাষ্টাংগে প্ৰণাম কৰিলে আৰু তাৰ পাছত মন্দিৰৰ পিছ-ফাললৈ গৈ বৰগছ এজোপাৰ তলত থকা ফেটীৰ গাঁতত গাখীৰ ঢালি ফেটীকো প্ৰণাম কৰিলে। তাৰ পাছত মহাৰাণী ইন্দুমতী পুনৰ প্ৰাসাদলৈ বুলি খোজ বঢ়ালে, আৰু তৎমুহূৰ্ততে শুনিলেঃ "ইন্দুমতী, ইয়ালৈ আহা!"

এই কথাষাৰ শুনিয়েই ইন্দুমতীয়ে পিছফাললৈ ঘূৰি চালে। আৰু তাত, বৰছগজোপাৰপৰা কিছু আঁতৰত ঢিপ এটাৰ ওপৰত এজন সাধুবাবাক বহি থকা দেখা পালে।

হাজাৰ হওক তেওঁ এগৰাকী মহাৰাণী, তেওঁক ক'ৰবাৰ কোনোবাই—হওকেই সাধু—নাম কাঢ়ি মাতিব—ইমান স্পৰ্ধা সহিবলৈ ইন্দুমতী সাজু নহয়।

মহাৰাণীয়ে থিয়ৈ থিয়ৈ এইবোৰ কথা ভাবি থাকোঁতেই সাধুবাবাই হো হো কৰে

হাঁহি উঠিল আৰু তাৰ পাছত কৈ উঠিল, "থং নকৰা, ইন্দুমতী! তোমাৰ সন্তান-প্ৰাপ্তিৰ আশা এইবাৰ পূৰিব। সেই কাৰণেই মই ইয়ালৈ আহিছোঁ।"

সাধুবাবাই তেওঁৰ মনৰ কথা কেনেকৈ জানিলে! ইন্দুমতী অবাক হ'ল আৰু তৎক্ষণাৎ তেওঁ সাধুবাবাক প্ৰণাম কৰিলে আৰু ক'লে, "হে মহাত্মা, আপুনি যে সাধাৰণ সাধু নহয়, জানিলোঁ। মোক কৃপা কৰক, বাবা!"

সাধুৱে এটা মোনালৈ আঙুলিয়াই মহাৰাণীক ক'লে, "সৌ মোনাটোৰ ভিতৰত যি কল আছে, সেই কলবোৰৰ-পৰা মাত্ৰ এটা খাবা, তাৰেই তোমাৰ ইচ্ছা পূৰিব। কিন্তু কলটো এবাৰতে উলিয়াই আনিবা।"

ইন্দুমতীয়ে খৰধৰকৈ মোনাৰ ভিতৰলৈ হাত ভৰাই দিলে, আৰু ভাবিলে : যাতে সুস্থ-সবল পুত্ৰ-সন্তান হয়, তাৰ বাবে ডাঙৰ চাই কল এটা লওঁ। এই বুলি ভাবি যিটো কল উলিয়াই আনিলে—সেই কলটো আছিল যদিও বগী-মনোহৰ কিন্তু আছিল যোৰা-কল—একেলগে জুটা!

মহাৰাণীয়ে আগ-পাছ নুগুণি—সেই সাধুবাবাৰ ইংগিতত—কলটো তৎক্ষণাৎ খালে আৰু কলটো খোৱাৰ পাছত পুনৰ

সাধুবাবাক প্ৰণাম কৰিবলৈ মূৰ দাঙি চাই দেখিলে যে সাধুবাবা তাত আৰু নাই।

এই ঘটনাৰ তিনি মাহৰ অন্তত মহাৰাণী গৰ্ভৱতী হ'ল। ৰাজ-বৈদ্যই মহাৰাণীৰ গৰ্ভসঞ্চাৰৰ কথা ঘোষণা কৰাত সমগ্ৰ ৰাজ্যত আনন্দৰ ঢৌ বাগৰি গ'ল।

নও মাহৰ অন্তত মহাৰাণীয়ে পুত্ৰ-সন্তান প্ৰসৱ কৰিলে। এই পুত্ৰ-সন্তান আছিল যঁজা পুত্ৰ-সন্তান, ঠিক সেই যোৰা-কলৰ দৰে। ৰাজবৈদ্যই ক'লে, "মহাৰাজ, ছমাহৰ ভিতৰত যদি শল্য-চিকিৎসাৰে এই যঁজা-সন্তান কবিছিন্ন কৰা নহয়, তেনেহ'লে—ক্ষমা কৰিব—এই

সন্তানদ্বয়ৰ প্ৰাণ-সংশয় হ'ব পাৰে।"

মহাৰাজ জয়কেতনদেৱে ক'লে, "ছমাহলৈকে কিয় বৈ থাকিব লাগে?"

শল্য-চিকিৎসাত নিজৰ অক্ষমতাৰ কথা অকপটে ৰাজবৈদ্যই প্ৰকাশ কৰিলে আৰু ক'লে, "মহাৰাজ, এই শল্য-চিকিৎসা যেয়ে-সেয়ে কৰিব নোৱাৰিব, নোৱাৰিম —আমাৰ ৰাজ্যত ময়ো, কোনো নাই।"

"ক'ত আছে—? য'তেই নাথাকক, তুৰন্তে লৈ আহকগৈ, ক'ব যথাযোগ্য ৰাজকীয় পৰিতোষিক প্ৰদান কৰা হ'ব।" মহাৰাণীয়ে ৰাজবৈদ্যক ক'লে।

ৰাজবৈদ্যই কিছু সময় ধৰি গভীৰভাবে চিন্তা কৰিলে আৰু তাৰ পাছত ক'লে, "মহাৰাণী, আমি জনাত—মাত্ৰ এগৰাকী শল্যবিদ আছে—যিগৰাকীয়ে এনেহেন জটিল শল্য-চিকিৎসা সহজেই কৰিব পাৰিব —কিন্তু সেই শল্যবিদ হ'ল — অশ্বিনীদত্ত।"

মহাৰাজে কৈ উঠিল, "কি—? অশ্বিনী দত্ত? আমাৰ শত্ৰু চন্দ্ৰগিৰিৰ ৰাজবৈদ্য অশ্বিনীদত্ত? কোনো অৱস্থাতে তেওঁৰদ্বাৰা এই চিকিৎসা নকৰাওঁ!"

মহাৰাণী ইন্দুমতীয়ে উপলব্ধি কৰিলে যে মহাৰাজক এই বিষয়ে পোনাব নোবাৰিব। গতিকে তেওঁ এতিয়া মনে মনে থাকিল। পাছত তেওঁ —অৰ্থাৎ মহাৰাণীয়ে স্থিৰ কৰিলে যে তেওঁ নিজেই



এজনী লিগিৰীক লগত লৈ চন্দ্ৰাগিৰিৰ ৰাজবৈদ্যৰ ওচৰলৈ যাব আৰু যেনেতেনে অশ্বিনীদত্তক লগত লৈহে ঘূৰিব। মাকৰ ঘৰলৈ যাব বুলি মহাৰাজক ক'ব তেওঁ আৰু পোনে পোনেই চন্দ্ৰগিৰিলৈ যাব।

ভবা মতে কাম কৰিলে মহাৰাণীয়ে। তেওঁ কেইদিনমানৰ পাছত মাকৰ ঘৰলৈ ওলাল, আৰু পোনে পোনেই চন্দ্ৰগিৰিলৈ বুলি ৰাওনা হ'ল। তেওঁ মহাৰাণীৰ বেশ-ভূষা এৰি সাধাৰণৰো সাধাৰণ বেশ-ভূষাৰে লিগিৰী এজনীক লগত লৈ গৈ থাকিল আৰু গৈ গৈ ছদিনৰ অন্তত এদিন তেওঁ চন্দ্ৰগিৰি পালেগৈ।

চন্দ্ৰগিৰিৰ ৰাজবৈদ্য অশ্বিনীদত্ত আছিল ব্ৰহ্মচাৰী মানুহ। দুপৰ ৰাতি ঘৰৰ দুৱাৰত খটখটনি শুনি তেওঁ জাগি উঠিল আৰু নিজেই দুৱাৰ খুলি দিলে।

"দীৰ্ঘ পথ অতিক্ৰমি, অপাৰ কষ্ট পাই, আপোনাৰ কাষ চাপিছোঁহি, হে বৈদ্যৰাজ!" এই বুলি কৈ, মহাৰাণীয়ে যুক্তকৰেৰে তেওঁৰ হাত ৰাজবৈদ্য অশ্বিনীদত্তলৈ প্ৰসাৰিত কৰিলে আৰু অশ্ৰুজলেৰে সিক্ত চকুযুৰিৰে তেওঁলৈ চালে।

ইন্দুমতীয়ে তেওঁৰ যঁজা-পুত্ৰসন্তানৰ পূৰ্ণ বিবৰণ দিলে আৰু ধৈৰ্য্যৰে সেই বিবৰণ শুনাৰ অন্তত ৰাজবৈদ্য অশ্বিনীদত্তই ইন্দুমতীক ক'লে, "আপোনাৰ ঘৰ—এই ঠাইৰপৰা কিমান দূৰ?"





পাৰে। মোক আপোনাৰ কৃপাৰপৰা বঞ্চিত নকৰক।" ইন্দুমতীয়ে কাতৰ আবেদন জনালে।

অশ্বিনীদত্তই কিছু সময় ধৰি নিৰৱে চিন্তা কৰিলে, আৰু তাৰ পাছত ক'লে, "ব'লক তেন্তে।"

ইন্দ্ৰপুৰী পায়েই অশ্বিনীদত্তই যঁজা সন্তানদ্বয়ক চালে আৰু পাছদিনাই দুয়োকো বিচ্ছিন্ন কৰিলে। তেওঁৰ শল্য-চিকিৎসা নিখুঁত-নিৰ্ভুল হ'ল, দুয়োটি পুত্ৰয়েই সুস্থ হৈ থাকিল।

মহাৰাজৰ আদেশ-মতে সমগ্ৰ ৰাজ্যত ঘোষণা কৰা হ'ল: 'শল্য-চিকিৎসাৰে যমজ-পুত্ৰদ্বয়ক বেলেগ কৰা হ'ল, আৰু এই মহৎ চিকিৎসা ইন্দ্ৰপুৰীৰ ৰাজবৈদ্য অশ্বিনীদত্তই কৰিলে, তেওঁ তেওঁৰ প্ৰতিভাৰে ৰাজবংশক ৰক্ষা কৰিলে। ৰাজদম্পতি তথা ৰাজ্যৰ সমগ্ৰ প্ৰজা ৰাজবৈদ্যপ্ৰধান অশ্বিনীদত্তৰ ওচৰলৈ অভিশাপ কৃতজ্ঞ'।

মহাৰাণীয়ে অশ্বিনীদত্তলৈ মহামূল্যবান পুৰস্কাৰ আগবঢ়োৱাত অশ্বিনীদত্তই ক'লে, "মহাৰাণী, এই যে সাদৰ-সন্মান—আৰু আপুনি যে মোৰ মংগল সাধিলে—তাতকৈ ডাঙৰ পুৰস্কাৰ মোক আৰু নালাগে।"

এই কাহিনী কোৱাৰ অন্তত বেতালে

"মই ইন্দ্ৰপুৰীৰ অধিবাসী, ইন্দ্ৰপুৰী ৰাজ্যৰ মহাৰাণী মই।" ইন্দুমতীয়ে সহজ ভাৱেই কৈ দিলে।

অশ্বিনীদত্ত উচপ খাই উঠিল। তেওঁ কিঞ্চিত শেঁতা পৰা যেন হ'ল। তেওঁ ক'লে, "আপুনি এই কথাটো নিশ্চয় নাজানে যে—এই শল্য-চিকিৎসা যদি মই কৰোঁ, চিকিৎসা কৰাৰ দুই প্ৰহৰৰ মাজতে মোৰ মস্তক দ্বিখণ্ডিত হ'ব।"

"মই — কথা দিছোঁ আপোনাক, আপোনাৰ কোনো অনিষ্ট নহ'ব, আপোনাৰ মস্তক য'তে আছে তাতেই থাকিব। মোৰ কথাৰ ওপৰত নিৰ্ভৰ কৰিব

ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! ইন্দুমতীৰ এই কাৰ্য্য বচন-ভংগ নহয়নে? তেওঁ কথা দিছিল যে কোনো অৱস্থাতেই অশ্বিনীদত্তৰ প্ৰাণহানি নহ'ব। কিন্তু শল্য-চিকিৎসা সমাপ্ত হোৱাৰ অন্তত মহাৰাজ জয়কেতনে যি ঘোষণা কৰিছিল, অশ্বিনী-দত্তলৈ যেনেকৈ কৃতজ্ঞতা জ্ঞাপন কৰিছিল, তাৰ ফলত অশ্বিনীদত্ত চন্দ্ৰগিৰিৰ ৰজাৰ ওচৰত বিশ্বাসঘাতক ৰাজবৈদ্যৰূপে চিহ্নিত হোৱা নাছিলনে?—আৰু মহা বিস্ময়ৰ কথা, তেওঁৰ কথা সকলোতে সদৰি হোৱাৰ পাছতো—মহাৰাণীয়ে তেওঁৰ মংগল কৰা বুলি অশ্বিনীদত্তই কিয় কৈছিল? মোৰ এই প্ৰশ্ন সমূহৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা নিশ্চয় বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত মহাৰাজ বিক্ৰমাদিত্যই ক'লে:

"অশ্বিনীদত্ত আছিল চিকিৎসাশাস্ত্ৰত সমৰ্পিত-প্ৰাণ এগৰাকী মহতোমহান চিকিৎসক। তেওঁৰ কোনো দেশ নাছিল, জাতি নাছিল, আপোন-পৰ নাছিল। পীড়িতক আৰোগ্যদানেই আছিল তেওঁৰ একমাত্ৰ ব্ৰত। আৰু—মহাৰাণী ইন্দুমতীয়ে জানিছিল যে চন্দ্ৰগিৰি ৰাজ্যলৈ উভতি যোৱামাত্ৰেই এই মহান চিকিৎসক অশ্বিনীদত্তক বধ কৰা হ'ব। গতিকে—মহাৰাজ জয়কেতনদেৱক তেওঁ সন্মত কৰাইছিল সেই ঘোষণাৰে মহান চিকিৎসক অশ্বিনীদত্তক ইন্দ্ৰপুৰীৰ ৰাজ-বৈদ্যৰূপে প্ৰতিষ্ঠাৰ বাবে। এই সমস্যাৰ ইয়াতকৈ উত্তম সমাধান আৰু নাছিল—এই কথা প্ৰশ্নাতীতভাৱে সত্য। চিকিৎসক এজন—সমগ্ৰ পৃথিৱীৰ আত্মীয়।"

এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছলৈ সাউতকৰে গুচি গ'ল। [কল্পিত

[আধাৰ: বৰ্ণালী বৰাৰ ৰচনা]

জান-মান

অৱন্তী আৰু কুসুমপুৰৰ মাজত প্ৰীতিৰ সম্পৰ্ক আছিল। কৌমুদী আছিল অৱন্তীৰাজ্যৰ ৰাজ-নৰ্তকী। ৰজাৰ আদেশত ৰাজনৰ্তকী কৌমুদী কুসুমপুৰলৈ গ'ল সেই ৰাজ্যৰ এক উৎসৱত নৃত্য প্ৰদৰ্শনৰ বাবে।

নৃত্য প্ৰদৰ্শন কৰাৰ অন্তত পুনৰ অৱন্তীৰাজ্যলৈ উভতি আহোঁতে বাটত অটব্য অৰণ্যৰ কাষত কৌমুদীক আৰু কৌমুদীৰ লগত থকা দেহৰক্ষীইতকো লুটিয়াইতে ৰখালে আৰু পাছত সিহঁতৰ দলপতিৰ ওচৰলৈ লৈ গ'ল।

কৌমুদীয়ে লুটিয়াইতৰ দলপতিক ক'লে, "আপুনি মোক কি বুলি ভাবিছে? মই অৱন্তীৰাজ্যৰ ৰাজনৰ্তকী। মহাৰাজে আপোনালোকৰ কথা নিশ্চয় কেনেবাকৈ গম পাব, আৰু তেতিয়া আপোনালোকৰ সৰ্বনাশ হ'ব।"

কথাটো দলপতিয়ে বিশ্বাস নকৰিলে। দলপতিয়ে ভাবিলে যে তিৰোতাজনী এজনী সাধাৰণ তিৰোতা। লুটিয়াইতৰ মাজত এজনে কৈ উঠিল, "তেও ভাল যে—তুমি নিজক ৰাজনৰ্তকী বুলি ক'লা, মহাৰাণী বুলি কোৱা নাই।"

শুনি আটাইবিলাকে গিৰ্জনি মাৰি হাহি উঠিল।

দলপতিয়ে কৌমুদীক ক'লে, "ঠিক আছে, তুমিনো কেনেকুৱা ৰাজনৰ্তকী—চাবঁইচোন, আমাৰ আগত নাচা।"

কৌমুদীয়ে সৰ্পিনীৰ দৰে ফেঁট মেলি উঠিল, "নাচিম—? ইয়াত? এই লুটিয়াইতৰ আগত? জান যাওক, মান থাকক। মই ৰাজসভা বাদে ক'তো নৃত্য প্ৰদৰ্শন নকৰোঁ।"

দলপতিয়ে তাৰ অনুচৰইতক ক'লে, "এওঁ নিঃসন্দেহে—ৰাজনৰ্তকী, এওঁ সাধাৰণ নৰ্তকী নহয়। তোমালোকে এওঁক, আৰু এওঁৰ দেহৰক্ষীসকলকো সসন্মানে জংগলৰ সীমা পাৰ কৰি থৈ আহাগৈ।"

ভাৰতৰ দুৰ্গ—৭

দেক্কানৰ মজবুত দুৰ্গ

লিপি : মীৰা উগ্ৰা * চিত্ৰ : অৰিত্ৰ



দেৱগিৰি দুৰ্গক দক্ষিণ ভাৰতৰ প্ৰৱেশদ্বাৰ বুলি অভিহিত কৰা হয়। দেক্কানৰস্থ এই দুৰ্গ এক অতি গুৰুত্বপূৰ্ণ স্থানত উপত্যকাৰ সোঁমাজত অৱস্থিত আৰু ক'লা বৰণৰ প্ৰস্তৰেৰে দৃঢ়ভাৱে নিৰ্মিত।

নগৰৰ চাৰিওফালে সুউচ্চ প্ৰাচীৰেৰে আগুৰা এই দুৰ্গ তিনিওফালে গড়খাৱৈৰে অৱৰুদ্ধ। গড়খাৱৈবিলাকত পানীৰ হ্ৰাস-বৃদ্ধি কৰিবপৰা হৈছিল। শত্ৰুৰ আক্ৰমণৰ কালত গড়খাৱৈৰ পানীৰ স্তৰ অতিপাত বৃদ্ধি কৰা হৈছিল আৰু গড়খাৱৈ পাৰ হৈ দুৰ্গদ্বাৰলৈ যোৱাৰ সাঁকোখন পানীৰে বুৰাই দিয়া হৈছিল। দুৰ্গৰ প্ৰৱেশদ্বাৰেদি নহয়, এটা সুড়ংগৰ মাজেদিহে দুৰ্গৰ ভিতৰলৈ প্ৰৱেশ কৰিব পাৰিছিল, আৰু শত্ৰুৰ কাৰণে সেই সুড়ংগ আছিল নিকপকপীয়া অন্ধকাৰ, আৰু বিভিন্ন বিপদপূৰ্ণ।

দেৱগিৰি দুৰ্গৰ এটি পহৰা-ঘৰ

সেই অন্ধকাৰত শত্ৰুক সহজেই বধ কৰিব পৰা হৈছিল, আৰু সুড়ংগৰ ভিতৰত গুলুম বন্ধা ধোঁৱাৰ সৃষ্টি কৰিও শত্ৰুক শ্বাসবদ্ধ কৰি মাৰি পেলোৱা হৈছিল

এই সুড়ংগৰপৰা ওলাবৰ তিনিছোৱা বাট আছিল। নিৰাপদ বাটৰ কথা জনাইহে জানিছিল। বাট নজনাই আওবটীয়া হৈ ফান্দত পৰি, মৃত্যুৰ সম্মুখীন হ'বলগা হৈছিল।

সুড়ংগয়েই শেষ প্ৰতিবন্ধক নাছিল, অন্যান্য বহুতো বাধা পাৰ হৈহে শত্ৰুসৈন্যই ৰাজ-ভৱনলৈ যাব পাৰিছিল, যি আছিল প্ৰায় অসম্ভৱ।



দৌলতাবাদ দুৰ্গৰ ৰেখাচিত্ৰ

এই দুৰ্গ দ্বিতীয় খৃষ্টাব্দত ৰাজত্ব কৰা সাতবাহনসকলৰ আমোলৰ। ইয়াত যাদৱসকলে এশ বছৰৰো অধিককাললৈ ৰাজত্ব কৰিছিল। তাৰ পাচত—১২৯৪ খৃষ্টাব্দত আলাউদ্দিন খলজিৰ হাতত পৰাজিত হৈছিল।

ছুলতান মুহম্মদ-বিন-তুঘলকে এই দুৰ্গক পৃথিৱীৰ শ্ৰেষ্ঠতম নিৰাপদ ঠাই বুলি ভাবি দেৱগিৰিত তেওঁৰ ৰাজধানী পাতিছিল। যিখন দেৱগিৰি এতিয়া দৌলতাবাদ বুলি জনাজাত।

তুঘলকৰ অন্যতম সেনাপতি বাহ্‌মন শ্বাহই ইয়াত বাহমনী ৰাজ্য প্ৰতিষ্ঠা কৰি গুলবৰ্গাত ৰাজধানী পাতিছিল।

বাহমন শ্বাহৰ উত্তৰাধিকাৰীসকলে ৰাজধানী বিদৰলৈ স্থানান্তৰিত কৰিছিল, য'ত তিনিখন গড়খাৰৈৰে সৈতে এক সুদৃঢ় দুৰ্গ আছিল

দক্ষিণ ভাৰতৰ কিছুমান সুপ্ৰাচীন মুছলিম-স্থাপত্য বিদৰত পৰিলক্ষিত হয়।

দৌলতাবাদ দুৰ্গৰ চান্দ-মিনাৰ

বাহিৰা প্ৰাচীৰ আৰু গড়খাৰৈৰে সৈতে বিদৰ দুৰ্গ

গুলবৰ্গা দুৰ্গৰ প্ৰাংগণ

পঞ্চদশ শতিকাৰ শেষভাগত, ১৪৯০ত বাহমনী সাম্ৰাজ্যৰ পতন হৈছিল, আৰু য়ুছুফ আদিল খাঁ-ই এক সুসংস্কৃত তথা প্ৰকৃত প্ৰজা-মংগলকাৰী আদিলখাহী ৰাজত্বৰ প্ৰতিষ্ঠা। এই বংশৰ সুপণ্ডিত ৰজা মুহম্মদ আদিল শ্বাহৰ সমাধি 'গোল গুম্বজ' নামেৰে জনাজাত আৰু সমাধি অদ্যাপি পৰিদৃষ্ট।

আদিলশ্বাহই মাটিৰ তলেদি পানী কঢ়িউৱাৰ সুচাৰু বন্দবস্ত কৰিছিল। এই পানী বহুদূৰৱৰ্তী নিজৰা আৰু নৈৰপৰা নলীৰ যোগেদি কঢ়িয়াই অনা হৈছিল।

'গোল গুম্বজ'। গুম্বজৰ ভিতৰত হাত-চাপৰি মাৰিলে দহবাৰ প্ৰতিধ্বনিত হয়। কোনোবাই হাত-ঘড়ি দেৱালত ওলোমাই থ'লে সেই ঘড়িৰ টিকটিকনি বিপৰীত দেৱালতো বাজি থাকিব।

ইব্ৰাহিম ৰোজা। দাৰ্শনিক-কবি-সংগীতজ্ঞ দ্বিতীয় ইব্ৰাহিম আলি আদিলশ্বাহ-প্ৰতিষ্ঠিত প্ৰাৰ্থনাগৃহ।





বাহমনী সাম্ৰাজ্যৰপৰা ফাটি অহা আহমদ নিজাম শ্বাহ — যিগৰাকীয়ে আহমদ নগৰৰ নিজামশ্বাহী ৰাজত্ব প্ৰতিষ্ঠা কৰিছিল।

আহমদনগৰ দুৰ্গ

১৫৯৫ চনৰ ডিচেম্বৰত মোগলসকলে আহমদনগৰ দুৰ্গ অধিকাৰ কৰিছিল। তেতিয়া নিজৰ ভ্ৰাতৃ-পুত্ৰৰ প্ৰতিনিধি হৈ চান্দবিবিয়ে শাসন-কাৰ্য্য চলাইছিল আৰু তেওঁ মোগলসৈন্যৰ আক্ৰমণক প্ৰতিৰোধ কৰিছিল। জনশ্ৰুতি এয়ে যে—যেতিয়া অস্ত্ৰাগাৰৰ গোলা-বাৰুদ শেষ হ'ল, তেতিয়া চান্দবিবিয়ে ৰাজকীয় ধন-ভঁৰালৰ সোণেৰে বৰতোপৰ গোলা প্ৰস্তুত কৰাই লৈছিল। ১৫৯৬ চনত সন্ধিৰ যোগেদি অস্থায়ী শান্তি প্ৰতিষ্ঠিত হৈছিল।

চান্দবিবি

ভাৰতৰ স্বাধীনতা-আন্দোলনৰ কালত, স্বাধীনতা-সংগ্ৰামীসকলৰ বাবে আহমদনগৰ দুৰ্গক কাৰাগাৰলৈ ৰূপান্তৰিত কৰা হৈছিল। এই কাৰাগাৰত চৰ্দাৰ পেটেল, জৱাহৰলাল নেহৰু, আবুল কালাম আজাদ, আচাৰ্য্য কৃপালনী প্ৰমুখ্যক বন্দী কৰি থোৱা হৈছিল। এই আহমদনগৰ দুৰ্গত বন্দী হৈ থকা কালত পণ্ডিত নেহৰুৱে তেওঁৰ সুবিখ্যাত গ্ৰন্থ 'দ্য ডিস্কভাৰি অৱ ইণ্ডিয়া' ৰচিছিল।

© Amrita Bharati, Bharatiya Vidya Bhavan 1995

হাৰি ভূত

শিৰ যেতিয়া যোল বছৰীয়া, তেতিয়া তাৰ দেউতাক ঢুকাল। শিৰ বুদ্ধিমান আছিল, কিন্তু আছিল অকামিলা।

এদিন তাৰ মাকে তাক ক'লে, "ঐ শিৰ, তই যে তোৰ হাত-ভৰি অচল কৰি কৰি বহি আছ, খেতি-বাতি চোৰা-চিন্তা নকৰ যদি-খাবিনো কি? কাম কৰাতকৈ নোখাই মৰিলেও ভাল হ'বনে?"

মাকৰ কথাৰ উত্তৰত শিৰেই খেচ-খেচাই উটি ক'লে, "খাওঁ বা নেযাওঁ, ৰ'দে-বৰষুণে খেতি-পাথৰলৈ নেযাওঁ, নেযাওঁ, নেযাওঁ।" এই বুলি কৈয়েই সি হুপহুপাই ওলাই যিপিনে-যিপোনে হুচকু যায়—গ'লগৈ।

গৈ গৈ—কেতিয়া যে সি অটব্য হাবি এডৰাৰ সোঁমাজ পাইছিলগৈ, সি নিজেই কব নোৱাৰে। যেনিবা পকুৱাই পোৱা মানুহৰ দৰে আহি পাইছিলহি। যি কি নহওক, সি এজোপা বিৰাট তেঁতেলীৰ তলত বহি দিলে আৰু ভাবিলে: আস্! এই অটব্য জংগলৰ কোনোবা এটা হিংস্ৰ জানোৱাৰে বা ভূত-পিশাচ এটায়ো মোক খায় যদি—জীৱনৰ যতবোৰ আলৈ-আহুকালৰপৰা নিষ্কৃতি পাম।

আৰু লগে লগে শিৰৰ সমুখত—যেনিবা আকাশৰপৰা নামি আহিল এটা জীয়া ভূত!

ভূতটোৱে—ভয়ত ঠৰ হৈ পৰা শিৰক ক'লে, "এই জংগলত হিংস্ৰ জানোৱাৰ-টানোৱাৰ নাই, আছোঁ কেৱল মই। মোক সুঁৱৰিলা, আহিলোঁ। তুমি যে এটি নিকম্মা ধোদৰ পচলা—জানিছোঁ মই।

হৰেন গোহাঞিবৰুৱা

কোৰা তোমাৰ কাৰণে কি কৰিব পাৰোঁ।”

ভূতবপৰা এনেও সাৰণ নাই, তেনেও সাৰণ নাই। গতিকে—শিৰই সাহস সঞ্চয় কৰি ভূতৰ শৰণ লোৱাৰ দৰে ক'লে, “মই ধোদেই নহয়, দুৰ্ভগীয়াও। মোৰ কাৰণে তুমিনো কি কৰিবা?”

“যি ক'বা তাকে কৰিম। পিছে—এটা চৰ্তত।” ভূতটোৱে শিৰক চৰ্তৰ কথা ক'লে, “মই ছবছৰলৈ তোমাৰ গোলাম হৈ থাকিম, যেতিয়াই যি ক'বা তাকে কৰি দিম, তুমি ৰজাৰ দৰে সুখত খাবা-শুবা, আনকি হাত-ভৰি লৰ-চৰ কৰিবও নালাগে। কিন্তু তাৰ পাছত কিন্তু ওৰে জীৱনলৈ তুমি মোৰ গোলাম হৈ থাকিবা। আৰু মই যদি সেই ছবছৰত তোমাৰ কোনো কাম কৰিব নোৱাৰা হওঁ, তেনেহ'লে চৰ্ত বাদ—আমাৰ চুক্তি বৰবাদ। —ৰাজী?”

শিৰেই ভূতৰ চৰ্ত মানি ল'লে।

আৰু লগে লগে ভূতে শিৰৰ চোলাৰ জেপ দুটা সোণৰ মুদ্ৰাৰে ভৰাই দিলে আৰু ক'লে, “ছবছৰ ধৰি—তোমাক যেতিয়াই যি লাগে পাই থাকিবা।”

তাৰ পাছত শিৰ ঘৰলৈ উভতি গ'ল। সি তাৰ মাকক সকলো কথা ভাঙি-পাতি কোৱাত তাৰ মাকে তাক ক'লে যে— ধন-দৌলতত আমাৰ কোনো প্ৰয়োজন নাই, ভূতৰ চৰ্ত এতিয়াই নোহোৱা কৰিব লাগে।

কিন্তু শিৰৰ কথা হ'ল — মানুহৰ নানান বুদ্ধি, ভূতৰ বুদ্ধি পোন, ভূতে চিনে কচু-কেঁচু, মানুহে লো-ক কৰিব পাৰে সোণ। দেখা যাব—ছবছৰৰ অন্তত অন্তত ভূত ডাঙৰনে মানুহেই ডাঙৰীয়া।

শিৰ পুনৰ হাবিলৈ গ'ল আৰু ভূতক ক'লে, “মই এই ঠাইত নাথাকোঁ, আন কোনোবা ঠাইত থাকিম। মোক আটক-ধুনীয়া অট্টালিকা, চাকৰ-চাকৰণী আৰু ধন-সোণ লাগে।” ভূতে তৎক্ষণাৎ শিৰৰ সকলো চাহিদা পূৰণ কৰিলে।

এমাহৰ অন্তত শিৰই পুনৰ ভূতক সুঁৱৰিলে। শিৰই ভূতক ক'লে, "ইয়াত চোৰ-ডকাইতহঁতৰ বৰ উপদ্ৰৱ হৈছে। মোৰ ঘৰ পৰ দিবলৈ কুকুৰৰ দৰে বাধ্য চাৰিটা বাঘ লাগে।"

ভূতে চাৰিটা বাঘ ধৰি লৈ আহিল আৰু শিৰৰ অট্টালিকাৰ চাৰি চুকত বান্ধি থৈ দিলে।

তাৰ পাছত শিৰে তাৰ অট্টালিকাৰ চাৰিওফালে ওখ প্ৰাচীৰ সাজি দিবলৈ কোৱাত ভূতে কৰি দিলে। তাৰ পাছত শিৰে ভূতটোক আদেশৰ ভংগীৰে ক'লে যে তাৰ অট্টালিকাৰ সমুখত থকা মটিৰ ঢিপটো সৌ পাহাৰৰ টিঙত পেলাব লাগিব।

এইবাৰ ভূতটো কিছু গৰম হ'ল। ভূতটোৱে খঙাল মাতেৰে শিৰক ক'লে, "তুমি মোক এনেকৈ জ্বলা-কলা কৰিবা জনাহেঁতেন—তোমাৰ সৈতে মই কোনো চুক্তি নকৰিলোহেঁতেন। ঠিক হ্যায়, এতিয়া দিম কৰি, পাছত তুমিও কঢ়িয়াবা মোৰ কানমাৰি। আৰু তেতিয়া তোমাক তপত তেলত অলপ অলপকৈ ভাজি ভাজি খাম। এবাৰতে খাম বুলি নাভাবিবা, জলপান হিচাপে পুৰা-গধূলি অলপ অলপকৈ চাকি চাকি খোৱাদি খাম।" ভূতে দাঁত-মুখ কৰচি ক'লে শিৰক।

ভূতৰ ভৰকনি শুনি শিৰই হাঁহিলে : মই তোমাৰ হাতত পৰিলেহে!

এইদৰে এক, দুই, তিনি, চাৰি, পাঁচ বছৰ পাৰ হ'ল, আৰু চাওঁতে চাওঁতে ছয় বছৰো পাৰ হওঁ হওঁ হ'ল।

আৰু তেতিয়া শিৰ চিন্তাত পৰিল! তেতিয়াহে শিৰে ভূতৰ সৈতে দুৰ্ব্যৱহাৰৰ কথা কিঞ্চিতমান উপলব্ধি কৰিব পাৰিলে।

ভূতৰ কবলৰপৰা নিষ্কৃতিৰ উপায় কি? ভাবি ভাবি শিৰ এটা পুখুৰীৰ ওচৰলৈ গ'ল। পুখুৰীটোত অসংখ্য ভেকুলী আছিল। আৰু এই ভেকুলীবোৰেই যেনিবা তাক কিবা এটা উপায় দিবে!

শিৰই তৎক্ষণাৎ ভূতটোক সুঁৱৰিলে আৰু ভূতটো বিজুলীগতিৰে আহি থিয় হোৱাৰ পাছত শিৰই ভূতটোক ক'লে, "মই যি কাম কৰিবলৈ ক'ম, তুমি কিন্তু কৰিবই লাগিব।"

"আমাৰ ছবছৰীয়া চৰ্তৰ তথা চুক্তিৰ আৰু আধাঘণ্টামানহে আছেগৈ। তাৰ পাছত তোমাক চাই ল'ম। ঠিক আছে, কি কৰিব লাগিব, কৈ পেলোৱা।"

"মই ভেকুলীৰ গীত শুনিম। কিন্তু পুখুৰীৰপৰা নহয়, পুখুৰীৰ সিপাৰত থকা গছজোপাৰ ঠাল-ঠেঙুলিত ইহঁতক বহুৱাই দিয়া, তেতিয়া ইহঁতৰ গীত শুনিম।"

ৰঙা-চকুৰা ভূতে শিৰলৈ খঙাল দৃষ্টিৰে চাই ক'লে, 'তুমি যে কাউৰীৰ গীত শুনিবলৈ বিচৰা নাই— তেও ভাল। পিছে—ভেকুলীৰ গীতো কিবা—মানুহে শুনা গীতনে ?"

"মানুহৰ মাজত থকা গায়কহঁতৰ সৰহভাগৰ গীত ভেকুলীৰ গীততকৈ বৰ বেছি ভাল নহয়। গতিকে—মই নকল ভেকুলীহঁততকৈ আচল ভেকুলীহঁতৰ গীতকে শুনিম! জলদি কৰা, সময় বৰ বেছি আৰু নাই।"

চুক্তিমতে ভূতটোৱে ভেকুলীবোৰক পুখুৰীৰপৰা ধৰি ধৰি পুখুৰীৰ সিপাৰত থকা গছৰ ডালত বহুৱাই দিয়া হ'ল। কিন্তু ভেকুলীবোৰে গছৰ ডালৰপৰা জঁপ মাৰি মাৰি পুনৰ সেই পুখৰীতে পৰা হ'ল। এইদৰে—ভূতে প্ৰাণপণ চেষ্টাৰেও ভেকুলীবোৰৰ এটাকো গছৰ ডালত বহুৱাব নোৱাৰিলে আৰু তাৰ ফলত ধূৰ্তবুদ্ধি শিৰই ভূতক চুক্তিভংগৰ কথা সোঁৱৰাই দি দীঘল-ঠেঙীয়া খোজ দি দি তাৰপৰা গুচি আহি ভূতৰ কবলৰপৰা নিষ্কৃতি ল'লে।

ভূত এটাৰ যিমানেই ক্ষমতা নাথাকক, মানুহৰ ধূৰ্ত-বুদ্ধিৰ আগত ভোদা ভূতে সদায় হাৰি ভূত হ'ব।



বুদ্ধিৰ চিন

সুন্দৰপুৰৰ সুমনৰ ধাৰণা—তাতকৈ বুদ্ধিমন্ত ক'তো কোনো নাই, বা হেজাৰ বিচাৰিলেও ক'তো নোলাব। কিন্তু গাঁৱৰ ৰাইজে সুমনক বুদ্ধিমন্ত বুলি নামানে, মানে চুবুৰীয়া গাঁৱৰ ধীমানকহে।

এদিন এই বিষয়ে সুমনে গাঁওবুঢ়াৰ ওচৰত দুখ কৰাত গাঁওবুঢ়াই সুমনক ক'লে, "তুমি এটা কাম কৰা, আমাৰ চুবুৰীয়া পুৰন্দপুৰ গাঁৱৰ ধীমানৰ ওচৰলৈ যোৱা। ধীমানে যদি তোমাক বুদ্ধিমন্ত বুলি কয়, কেৱল এই গাঁৱৰে নহয়, দহোখন গাঁৱতেই তুমি পীৰা পাবা।"

কিন্তু ধীমানৰ ওচৰলৈ সুমন নগ'ল। সুমন গ'ল এগৰাকী সাধুৰ ওচৰলৈ। এই গৰাকী সাধু পুৰন্দৰপুৰলৈ অহাৰ বাতৰি পাই সুমনে সেই নিজৰ বুদ্ধিমানী প্ৰকাশৰ তথা সাব্যস্ত কৰাৰ বাবে সেই সাধুৰ ওচৰলৈ গৈছিল।

সেইদিনা সাধুৱে তেওঁৰ উপদেশত বিশেষ বিশেষ বিশিষ্ট কথাবোৰ কৈ আছিল: কাউৰীৰ মাজত বগা কাউৰী বিচাৰি কোনো লাভ নাই, বগা কাউৰী জগতত নাই। ৰাৱণাসুৰ আছিল অতি বলশালী, কিন্তু তাৰ অতপালিয়ে তাক অকালতে সংহাৰ কৰিলে। ৰাৱণৰ তুলনাত ৰামচন্দ্ৰ কম শক্তিমান, কিন্তু তথাপি তেওঁৱেই ৰাৱণৰ ওচৰত বিজয়লাভ কৰিলে, আৰু মানৱকুলেও ৰাৱণক নামানে, ৰামচন্দ্ৰকহে মানে। তেওঁ আৰু ক'লে যে—মানুহৰ মাজত উচ্চ-নীচ নাই, সকলো সমান।

সুমনে সাধুগৰাকীক নমস্কাৰ কৰিলে

অতুল বৰুৱা



আৰু ক'লে, "হে মহাত্মা, তৰ্কশাস্ত্ৰত মোৰ সমান—বোধ কৰোঁ কোনো নোলাব। এতিয়া আপুনি যিবোৰ কথা ক'লে, তৰ্কশাস্ত্ৰত কিন্তু সেইবোৰ ভ্ৰান্ত প্ৰমাণিত হ'ব। মোৰ সন্দেহ দূৰ কৰক।"

সাধুৱে ক'লে, "সোধা, পুত্ৰ।"

সুমনে ক'লে, "আপুনি কৈছে যে—জগতত বগা কাউৰী নাই। কিন্তু নাই যে—তাৰ প্ৰমাণ কি?"

সাধুৱে ক'লে, "মই যিমানৰদূৰ জানো—নাই। আৰু— আজিলৈকে কোনেও বগা কাউৰী দেখাও নাই।"

"মই যিমানদূৰ জানো—ঈশ্বৰক আজিলৈকে কোনেও দেখা নাই। তেনে-হ'লে—ঈশ্বৰ নাই বুলিয়েই ক'বনে?"

সাধুৱে ক'লে, ঈশ্বৰ বিশ্বাসৰ আৱশ্যকতা আছে। বগা কাউৰীৰ অস্তিত্বৰ বিশ্বাস কৰাত কোনো আৱশ্যকতা নাই।

সুমনে মুচুককৰে হাঁহি মাৰি ক'লে, "সত্য জনাৰ আৱশ্যকতা নিশ্চয় আছে। মই তৰ্কশাস্ত্ৰমতে প্ৰমাণ কৰিব পাৰোঁ যে জগতত বগা কাউৰী আছে। আপুনি কষ্ট কৰি শুনিবনে?"

সাধুৱে সন্মতি প্ৰকাশ কৰিলে।

সুমনে গল-হেঁকাৰি মাৰি তাৰ বক্তব্য কৈ থাকিল:

"সকলো প্ৰাণী তথা মনুহেই সমান বুলি আপুনি কৈছিল। কিন্তু মানুহৰ মাজতো ক'লা-বগা আছে, কুকুৰৰ মাজতো আছে। গতিকে — কাউৰীৰ নাজত নাথাকিব কিয়?"

সাধুৱে ক'লে, "হ'ব পাৰে—।"

"দেখিলেনে, মহাত্মা? মই তৰ্কেৰে প্ৰমাণ কৰিলোঁ যে মোৰ কথা সত্য। আপুনি কিন্তু আপোনাৰ কথা মোৰ দৰে প্ৰমাণ কৰিব পৰা নাই।" সুমনে ক'লে।

সাধুৱে হাঁহিলে আৰু ক'লে, পুত্ৰ! বাদ-বিবাদৰ কি প্ৰয়োজন? তোমাৰ যদি ক'ৰবাত সন্দেহ হৈছে, সোধা, মই

তোমাৰ সকলো সন্দেহ গুচাম।"

সুমনে ক'লে, "আপুনি কৈছে—ৰাৱণ দুষ্ট, ৰামচন্দ্ৰ শিষ্ট। আৰু মই ক'ম—ৰাৱণ নহয়, ৰামচন্দ্ৰহে অশিষ্ট।"

"সকলো মানুহেই ভিন্নমত পোষণ তথা ব্যক্ত কৰিব পাৰে—" সাধুৱে ক'লে, "যাৰ যাৰ বুদ্ধিৰ অনুৰূপ ব্যাখ্যা হ'লে মোৰ ক'বলগীয়া একো নাই।"

সুমনে কৈ থাকিল, "বাল্মীকিয়ে ৰামচন্দ্ৰক ৰামায়ণৰ নায়ক বনালে, আৰু ৰাৱণক খলনায়ক বনালে। কওক—হয়নে নহয়?"

"অস্বীকাৰ কৰা নাই। কিন্তু মানৱ-কুল কিয় শ্ৰীৰামৰ ভক্ত আৰু ৰাৱণৰ কিয় ভক্ত নহয়?" সাধুৱে সুধিলে।

"ৰাৱণ-ভক্তও নথকা নাছিল আৰু নথকা নহয়। কিন্তু যুদ্ধত বিজয়ীয়েহে স্তুতি পায়, তাকেই সাধাৰণ মানুহে ডাঙৰ বুলি মানে। ৰামচন্দ্ৰই বাল্মীকিৰদ্বাৰা ৰামায়ণ ৰচাই নিজক ডাঙৰ বুলি আত্মপ্ৰচাৰ কৰিছিল।" সুমনে ক'লে।

সিদ্ধ সাধুৱে, মিঠাকৈ হাঁহিলে আৰু ক'লে, "তুমি বাস্তৱিকতে অতিশয় বুদ্ধিশালী ব্যক্তি।"

"কিন্তু—আপুনি মানিলও আমাৰ গাঁৱৰ মানুহখিনিয়ে সেই কথা নামানে।"



সুমনৰ তীক্ষ্ণ মন্তব্যত সাধুৱে ক'লে, "ঠিক হ্যায়, মানিব, মনোৱা যাব। তুমি কালিলৈ এইখিনি সময়ত ইয়ালৈ আহিবা আৰু তোমাৰ অতোনুসাৰে ৰামায়ণ ব্যাখ্যা কৰি ক'বা। চাওঁ—গাঁৱৰ কোনে তোমাৰ যুক্তি কি খণ্ডন কৰিব পাৰে।"

পাছদিনা সুমন আহিল, আৰু সমজুৱাৰ আগত তাৰ মতানুসাৰে ৰামায়ণৰ তথা ৰাম-ৰাৱণৰ ব্যাখ্যা কৰিলে। তাৰ বক্তব্য যেতিয়া সমাপ্ত হ'ল তেতিয়া সাধুৱে সমজুৱা-হঁতক সুধিলে, "আপোনালোকৰ মাজত এওঁৰ কথাৰ খণ্ডন কোনোবাই কৰিবনে?"

কিন্তু কোনেও হয় বা নহয় একোকে

নক'লে। তেতিয়া গাঁওবুঢ়াই থিয় হৈ সাধুক ক'লে, "হে মহাত্মা, আমাৰ বিশ্বাস, সুমনৰ যুক্তিবোৰক কেৱল আপুনিহে খণ্ডন কৰিব পাৰিব।

গাঁওবুঢ়াৰ কথাত সুমনে ভালেই পালে, কিয়নো, সাধুৱে আগতেই তাৰ যুক্তিৰ আগত পৰাজয় স্বীকাৰ কৰি লৈছিল আৰু, তেতিয়া ৰাইজে তাৰ নামত নিশ্চয় ধইন ধইন কৰিব।

সাধুগৰাকীয়ে ক'বলৈ ধৰিলে ঃ

"এসময়ত আই-বেমাৰ গুচাবৰ কাৰণে মানুহে মনসা-গোসাঁনীক পূজিছিল; কিন্তু কিছুমান বুদ্ধিশালী ব্যক্তিয়ে এই কাৰ্য্যক ভ্ৰান্ত বুলি প্ৰমাণিত কৰিছিল আৰু সেই বেমাৰৰ দৰব আৱিষ্কাৰ কৰিছিল। এসময়ত মানুহে পৃথিৱীক সমতল বুলি জানিছিল, কিন্তু কিছুসংখ্যক বুদ্ধিমন্ত ব্যক্তিয়ে এই ধাৰণাক ত্ৰুটিপূৰ্ণ বুলি অভিমত প্ৰকাশ কৰিছিল আৰু তাৰ ফলত আমি ভূগোলৰ জ্ঞান পাইছিলোঁ।"

এইখিনি কোৱাৰ অন্তত সাধু ক্ষন্তেক-মান, ৰ'ল, আৰু সেই ছেগতে সুমনে সমজুৰাইঁতলৈ চালে।

সাধুৱে পুনৰ কৈ থাকিল ঃ

"কিন্তু বুদ্ধিশালীৰ যুক্তিক সাধাৰণ মানুহে তৎক্ষণাৎ মানি নলয়, বৰঞ্চ বুদ্ধিশালীৰ বুদ্ধিমত্তাকে মূৰুখালী বুলি ভাবি লয়।"

সধুৰ কথাত সমজুৰাই গিৰ্জনি মাৰি হাঁহি উঠিল।

সাধুৱে পুনৰ কৈ থাকিল ঃ

"প্ৰকৃত বুদ্ধিমন্তই অজ্ঞানীৰ সৈতে তৰ্কবাদ নকৰে, প্ৰকৃততে এয়ে হ'ল প্ৰকৃত বুদ্ধিমত্তাৰ চিন।"

সাধুৰ কথাত সমজুৰাই আগতকৈও জোৰেৰে হাঁহি উঠিল আৰু সুমন তলমূৰ হ'ল। এই ঘটনাৰ পাছৰপৰা সুমনে নিজক শুধৰাই এজন প্ৰকৃত জ্ঞানী হৈছিল।



মহাভাৰত

১৫

দ্রুপদৰজাই পঠোৱা ব্ৰাহ্মণ মানুহজন পাণ্ডৱসকলৰ ওচৰলৈ আহিল, আৰু তেওঁলোকক ক'লে, "আমাৰ মহাৰাজে আপোনালোকৰ পৰিচয় জ্ঞাতাৰ্থে মোক আপোনাসৱৰ ওচৰলৈ প্ৰেৰণ কৰিলে। আমাৰ মহাৰাজ হ'ল পাণ্ডুৰজাৰ নিকটাত্মীয়। আমাৰ মহাৰাজৰ আন্তৰিক বাসনা, তেওঁৰ পুত্ৰীৰ বিবাহ অৰ্জুনৰ সৈতে অনুষ্ঠিত হওক। কৃপা কৰি আপোনাসৱৰ কুল আৰু গোত্ৰৰ পৰিচয় প্ৰদান কৰক।"

ধৰ্মৰাজে সেই ব্ৰাহ্মণক যথাবিহিত আদৰ-সাদৰ কৰিলে আৰু আথেবেথে বহুৱাই লৈ তেওঁক ক'লে, "আমাৰ কুল-গোত্ৰ জ্ঞাত হৈ আপোনালোকৰ মহাৰাজৰ কি উপকাৰ? মৎস্যচক্ষু বিদ্ধ কৰি পতিত কৰাজনক তেওঁ কন্যা দিব বুলি ঘোষণা কৰিছিল। আমাৰ ভ্ৰাতৃয়ে সেই কাৰ্য্য সম্পন্ন কৰিলে আৰু স্বাভাৱিকভাবেই ৰাজকুঁৱৰীক বিভাও কৰিলে।"

ইতোমধ্যে—পাণ্ডৱসকলক লৈ যাবলৈ মহাৰাজ দ্ৰুপদ-প্ৰেৰিত ৰথসমূহ আহিল। সকলো পাণ্ডৱৰ কাৰণে বেলেগ বেলেগ ৰথ আহিল। কুন্তী আৰু দ্ৰৌপদীৰ কাৰণে একেবাৰে আচুতীয়াকৈ এখন ৰথ পঠোৱা হৈছিল। ৰাজধানী পাই, পাণ্ডৱবৰ্গ সেই অতিশয় সুদৃশ্য পৰম শোভাময় মণ্ডপত সন্মান-সহকাৰে আসীন হ'ল।

'দ্ৰৌপদী-বিভা'

মহাৰাজ দ্ৰুপদে পাণ্ডৱজ্যেষ্ঠ ধৰ্মৰাজক ক'লে, "মহোদয়, আপোনাৰ পৰিচয় মোৰ অজ্ঞাত। প্ৰকৃত পৰিচয় জ্ঞাত নোহোৱালৈকে পুত্ৰীৰ শাস্ত্ৰোক্ত বিবাহ প্ৰদান সম্ভৱ নহয়।"

তেতিয়া ধৰ্মৰাজে সত্য কথা বিবৰিলে।

আৰু মহাৰাজ দ্ৰুপদে অৰ্জুনক জামাতাৰূপে প্ৰাপ্ত হোৱাৰ কথা জ্ঞাত হোৱাৰ লগে লগে আনন্দাশ্ৰু বিসৰ্জিবলৈ ধৰিলে। তেওঁ ধৰ্মৰাজক ক'লে, "তোমালোক জতু-গৃহৰপৰা ৰক্ষা পোৱাটো—মোৰেই সৌভাগ্য। তোমালোকক যেনেকৈয়েই নহওক তোমালোকৰ ৰাজ্য ঘূৰাই দিম—এয়া মোৰ প্ৰতিজ্ঞা। আৰু অতি শীঘ্ৰে শুভ মুহূৰ্তত অৰ্জুন-দ্ৰৌপদীৰ বিবাহও সম্পাদন কৰিম।"

ধৰ্মৰাজে ক'লে, "কিন্তু কেৱল অৰ্জুনৰ সৈতেই নহয়—আমাৰ মাতৃৰ বচন মতে—আমি পঞ্চপাণ্ডৱেই আপোনাৰ কন্যাক বিবাহ কৰিব লাগিব।"

ধৰ্মৰাজ যুধিষ্ঠিৰৰ কথাত মহাৰাজ দ্ৰুপদ স্তম্ভিত হৈ পৰিল। তেওঁ ক'লে, "এজন পুৰুষে অনেক নাৰীক বিবাহ কৰিব পাৰে; কিন্তু এজনী নাৰীয়ে কেনেকৈনো অনেক পুৰুষক বিবাহ কৰিব? এই কথা নাভূত-নাশ্ৰুত কথা।"

ঠিক তেতিয়াই হৰিণাৰ ছাল ধাৰণ কৰি কৃষ্ণদ্বৈপায়ন তালৈ আহিল। সকলোটিয়েই পাদ-পূজা কৰি তেওঁক সেৱা কৰিলে আৰু যথোচিত আসনত বহুৱালে। তদনন্তৰ মহাৰাজ দ্ৰুপদে কৃষ্ণদ্বৈপায়নক ক'লে, "হে মহাত্মা, ধৰ্মৰ সকলো কথাতে ধৰ্মৰাজ সুপৰিজ্ঞাত। কিন্তু তথাপি, তেওঁৰ বক্তব্য হ'ল যে তেওঁলোক পঞ্চভ্ৰাতায়েই মোৰ পুত্ৰীক বিবাহ কৰাব। এই বিষয়ে আপোনাৰ উপদেশ প্ৰদানক। নাৰীয়ে বহু পুৰুষক বিবাহ কৰাৰ কথা আমি নাজানো। এই প্ৰস্তাৱ—ধৰ্ম-বিৰুদ্ধ নহয়নে?"

ধৰ্মৰাজে কৈ উঠিল, "মোৰ মুখৰপৰা অধৰ্মোচিত বাক্য কদাপি নোলাব। আৰু—আমি পঞ্চজনে যেতিয়া আপোনাৰ পুত্ৰীক বিবাহ কৰাবলৈ সন্মত, আপোনাৰ আপত্তিৰ হেতু কি? মাতৃ-আজ্ঞা পালন আমাৰ পক্ষে আৱশ্যিক ধৰ্ম। যদি উদাহৰণকে লাগিছে আপোনাক—লওক। গৌতমী-বংশৰ জটিলা নামৰ মুনিকন্যাই সপ্ত পুৰুষক বিবাহ কৰোৱা নাছিলনে? দাক্ষায়ণী নামক মুনিকন্যা প্ৰচেত নামক দহোমুনিৰ ধৰ্মপত্নী নহৈছিলনে? এইবোৰ-এনেবোৰ ঘটনা পুৰাণত লিপিবদ্ধ আছে।"

ধৃষ্টদ্যুম্নই ক'লে, "কিন্তু দ্ৰৌপদীক অৰ্জুনেই জয় কৰি লৈছিল। গতিকে—ধৰ্মৰাজে, বা অন্য অন্য ভ্ৰাতৃসকলে দ্ৰৌপদীক বিবাহ কৰোৱাটো অনুচিত।"

তেতিয়া কৃষ্ণদ্বৈপায়নে শান্ত কণ্ঠেৰে মহাৰাজ দ্ৰুপদক ক'লে, "হে ৰাজন্! ধৰ্মৰাজৰ বক্তব্য, বা কুন্তীৰ মনৰ বাসনা—অসংগত নহয়। তুমি তোমাৰ পুত্ৰীৰ বিবাহ পঞ্চপাণ্ডৱৰ সৈতে সম্পাদন কৰা।"

তাৰ পাছত কৃষ্ণদ্বৈপায়নে মহাৰাজ দ্ৰুপদক একান্তলৈ মাতি লৈ গ'ল, আৰু দ্ৰৌপদীৰ জন্ম-বৃত্তান্ত তেওঁক ক'লে:

"বহু বহু কালৰ আগতে মাধল্য নামক এগৰাকী মুনিৰ ইন্দ্ৰসেনা নামৰ পত্নী আছিল। কিন্তু মাধল্য আছিল যৌন-ক্ষমতাৰহিত, আৰু সেইহে ইন্দ্ৰসেনা দাম্পত্য সুখৰপৰা বঞ্চিতা আছিল, আৰু সেই মহাদুঃখ-সন্তাপ মনত লৈয়েই ইন্দ্ৰসেনাৰ এদিন মৃত্যু হ'ল। পৰজনমত ইন্দ্ৰসেনা কাশীৰাজৰ পৰিয়ালত জনমিল। সেই জনমত ইন্দ্ৰসেনা আছিল অপূৰ্ব সুন্দৰী। কিন্তু তথাপি ইন্দ্ৰসেনাই সেই জনমতো যোগ্য পতি নাপালে। তেতিয়া ইন্দ্ৰসেনাই পৰমেশ্বৰৰ তপস্যাত মগ্না হ'ল। বহুদিনৰ অন্তত এদিন পৰমেশ্বৰে সেই ইন্দ্ৰসেনাক দেখা দিলে আৰু সুধিলে, 'তোমাক কি লাগে কোৱা।'

সমাৰোহৰে পাতিবলৈ আয়োজন কৰিবলৈ আদেশ প্ৰদানিলে।

এইবাৰ এই অভাৰিত অভূতপূৰ্ব বিবাহৰবাবে মহাৰাজ দ্ৰুপদ দেহে-কেহে লাগি পৰিল। সমগ্ৰ কাম্পিল্যনগৰ কলগছ আৰু তামোল গছেৰে সুশোভিত কৰা হ'ল। বৰৰ কোমল কোমল পাত বুটলি আনি বহু সংখ্যক তোৰণদ্বাৰ সজোৱা হ'ল। চন্দনমিশ্ৰিত জল সৰ্বগৃহৰ সমুখত ঘট পূৰ্ণ কৰি থৈ দিয়া হ'ল আৰু কৰ্পূৰৰ গন্ধেৰে সৰ্বস্থান আমোদিত কৰা হ'ল। এইদৰে সমগ্ৰ নগৰ, তথা সমগ্ৰ ৰাজ্য এক অপৰূপ সৌন্দৰ্য্যময় ৰূপ পৰিগ্ৰহ কৰি এই অচিন্ত্যপূৰ্ব বিবাহৰ আয়োজনত মত্ত হৈ উঠিল।

দলে-বলে মানুহ-মুনিহ সমবেত হ'ল। সকলোটিৰ হাততেই যিমান দূৰলৈ দৃষ্টি যায়—পুষ্পমাল্য ওলমি আছিল, মংগলবাদ্য বাজি আছিল মহাৰাজ দ্ৰুপদৰ প্ৰাসাদৰ পূৰ্ব দিশস্থ অতি শোভাময় বিৰাট-বিশাল মণ্ডপত।

বিবাহস্থলৰ হোম-বেদি আছিল স্বৰ্ণনিৰ্মিত। এই হোম-বেদিৰ অভ্যন্তৰত অগ্নিকুণ্ড প্ৰজ্জ্বলিত।

সুৱৰ্ণ-কলসীৰে নদী আৰু নিজৰাৰপৰা জল বহন কৰি অনা হৈছিল। সেই জলেৰে

ইন্দ্ৰসেনাই ব্যাকুলভাবে—পতি পতি পতি পতি পতি—বুলি পাঁচবাৰ উচ্চাৰিলে আৰু পৰমেশ্বৰে ক'লে যে অহা জনমত ইন্দ্ৰসেনাই পঞ্চ মহাপুৰুষক পতিৰূপে প্ৰাপ্ত হ'ব। সেই ঘটনাৰ ফলস্বৰূপেহে ইন্দ্ৰসেনা এই জনমত তোমাৰ পুত্ৰী হৈ জনমিল, আৰু পঞ্চ মহাপুৰুষৰূপী পঞ্চপাণ্ডৱক পালে।

কৃষ্ণদ্বৈপায়নৰপৰা এই সত্য শ্ৰৱণৰ অন্তত মহাৰাজ দ্ৰুপদৰ জ্ঞানচক্ষু উন্মিলিত হ'ল, আৰু তেওঁৰ মনৰ খু-দুৱনি গুচিল। তেতিয়া তেওঁ হৰ্ষিত অন্তৰৰে পুত্ৰী দ্ৰৌপদীৰ বিবাহ পঞ্চপাণ্ডৱৰ সৈতে মহা-

পঞ্চপাণ্ডৱে মংগলস্নান কৰিলে আৰু উত্তম বস্ত্ৰৰ পৰিধান কৰিলে।

আৰু তাৰ পাছত সালংকাৰা দ্ৰৌপদীক তেওঁৰ বছা বছা সখিয়েক-সমভিব্যাহাৰেৰে বিবাহ-মণ্ডপলৈ লৈ অহা হ'ল। দৌম্যই মন্ত্ৰোচ্চাৰণ কৰাৰ অন্তত সৰ্বপ্ৰথমে দ্ৰৌপদী-আৰু ধৰ্মৰাজক আসনত বহুউৱা হ'ল আৰু শাস্ত্ৰোক্তৰূপে পাণিগ্ৰহণ কৰোৱা হ'ল। আৰু তদনন্তৰ ভীম, অৰ্জুন, নকুল, আৰু সহদেৱকো তদ্ৰূপভাবে বিবাহ প্ৰদান কৰা হ'ল।

মহাৰাজ দ্ৰুপদে পঞ্চজামাতালৈ মূল্যৱান আভূষণ, ধন, ৰথ, অশ্ব, হস্তী, লিগিৰা-লিগিৰী, গাভী ইত্যাদি পৃথক পৃথক ভাবে দিলে।

তাৰ পাছত, বিবাহজনিত সৰ্বঅনুষ্ঠানৰ অন্তত দ্ৰৌপদী অন্তেষপুৰলৈ উভতি আহিল। তাত অন্যান্য তিৰোতাসকলৰ মাজত কুন্তীদেৱী শীৰ্ষাসনত উপবেশিত আছিল। দ্ৰৌপদী তালৈ আহিল, আৰু কুন্তীদেৱীক সাষ্টাংগে প্ৰণাম কৰি, যুক্তকৰেৰে দণ্ডায়মান হৈ থাকিল। কুন্তীদেৱীয়ে প্ৰসন্ন চিতেৰে দ্ৰৌপদীক আশীৰ্বাদ কৰিলে।

পাণ্ডৱসকলৰ বিবাহ সুসম্পন্ন হোৱাৰ বাতৰি পায়েই কৃষ্ণই মূল্যৱান উপহাৰেৰে

সৈতে তালৈ আহিল আৰু, পাণ্ডৱসকলৰ সৈতে কাম্পিল্য নগৰত কিছুদিনলৈ বসবাস কৰি থাকিল।

এইবাৰ পাণ্ডৱসকল জতুগৃহৰপৰা ৰক্ষা পাই সোঁশৰীৰে জীয়াই থকাৰ কথা সকলোতে ব্যাপ্ত হৈ পৰিল। আৰু অৰ্জুনে লক্ষ্যভেদ কৰি দ্ৰৌপদীক জয় কৰাৰ কথা, তৎপৰৱৰ্তী দিনত পঞ্চপাণ্ডৱে দ্ৰুপদ-কন্যা দ্ৰৌপদীক বিভা কৰাৰ কথা—বনাগ্নিৰ দৰে সৰ্বস্থানতে বিয়পি পৰিল।

আৰু এই ভয়ংকৰ সম্বাদ দুৰ্যোধনেও নোপোৱাকৈ নাথাকিল।

দুৰ্যোধন উন্মাদপ্ৰায় হৈ উঠিল আৰু

বলকি থাকিল: পাণ্ডৱসখাৰ ইমান সুভাগ্য কেনেকৈ আৰু কিয় হ'ল?

দুঃশাসনে দুৰ্যোধনক ক'লে, "ব্ৰাহ্মণৰ ভেশ নোলোৱাহেঁতেন দ্ৰৌপদীয়ে অৰ্জুনক লভিলেহেঁতেননে? কদাপি নহয়। সি ব্ৰাহ্মণ নহয় বুলি তেতিয়া আমি জ্ঞাত হোৱাহেঁতেন, সি অৰ্জুন বুলি জনাহেঁতেন আমি ইমান সহজতে তাক এৰিলোহেঁতেননে? এতিয়া অৱশ্যে পস্তালে—খেদ কৰিলে—একোৱেই লাভালাভ নাই। বাহুবলতকৈ যে দৈৱবল অধিক সুফলপ্ৰদ—সেই কথা ধ্ৰুৱসত্য। দৈৱয়েই তুচ্ছ পাণ্ডৱৰ সহায় হ'ল।"

দুৰ্যোধন-দুঃশাসনে পুৰোচনক গালি পাৰি থাকিল, কিন্তু জতু-গৃহত আতিথ্যৰ নামত বন্দী কৰা পাণ্ডৱক জুইৰে পুৰি ভস্ম কৰাৰ দায়িত্ব যাৰ আছিল—সেই পুৰোচনক এতিয়া আৰু পাবলৈ নাই।

পৰিপূৰ্ণ বিবৰণ জনাৰ পাছত বিদুৰ অতিশয় প্ৰসন্ন হ'ল। তেওঁ ধৃতৰাষ্ট্ৰক সকলো বিবৰিলে। ধৃতৰাষ্ট্ৰই ভাবিলে যে দুৰ্যোধনৰ সৈতেহে দ্ৰৌপদীৰ বিবাহ হ'ল। তেওঁ বিদুৰক আজ্ঞা দিলে যে দ্ৰৌপদীক যথাযোগ্যভাবে অলংকাৰাদিৰে ভূষিত কৰি হস্তিনাপুৰলৈ লৈ অহা হওক।

বিভ্ৰান্ত বিদুৰে পুনৰ ধৃতৰাষ্ট্ৰক পাণ্ডৱ সকলৰ কথা বুজাই ক'লে। তেতিয়া বিচলিত-বিচলিত যেন লগা ধৃতৰাষ্ট্ৰই ক'লে, "সত্য এয়ে যে—মই দুৰ্যোধনতকৈ পাণ্ডৱসকলকহে অধিকাধিক ভাল পাওঁ। পাণ্ডৱসকল হ'ল অভূতপূৰ্ব পৰাক্ৰমী। পাণ্ডৱসকলে জ্যেষ্ঠলৈ সন্মান প্ৰদৰ্শন কৰিব জানে। এতিয়া দ্ৰুপদৰ সৈতে আত্মীয়তা-বন্ধনেৰে সিহঁতৰ অধিক শক্তিমন্ত হ'ল। পাণ্ডৱসকলৰ জীৱনৰক্ষাৰ সম্বাদ শুনি মই অপৰিমেয়-আনন্দ লভিছোঁ।"

বিদুৰে ক'লে, "মহাৰাজ! আপোনাৰ মতি-বুদ্ধি সদায়েই ভাল।" [আগলৈ

ଖୁବ୍ ଶିଘ୍ର ପହଞ୍ଚୁଛି ଶାରଦୀୟ ସଂଖ୍ୟା

ସଚିତ୍ର ବିଜୟା



- ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ : ଅନ୍ଧଗଳିରେ ଆଲୋକ-ପୁତ୍ର
- ସ୍ୱତନ୍ତ୍ର ପ୍ରସଙ୍ଗ : ରତ୍ନର ନାମ ପର୍ଯ୍ୟଟନ, ଯାତ୍ରୀର ନାମ ପଣ୍ଡିମା
- ଏକାନ୍ତ ପଲ୍ଲୀ : ପଦ୍ମକେଶରୀର ପଦ୍ମତୋଳା
- ଗୁଳ୍ମ : ଦ୍ରୁମ : ଅଭିଶପ୍ତା କେତକୀ
- ସ୍ମୃତି ସଞ୍ଜୀବନୀ : ମନୋଜ ଦାସଙ୍କ ଧାରାବାହିକ ସ୍ମୃତିକଥାର ଅନ୍ତିମ ପର୍ଯ୍ୟାୟ
- ପରଂପରା : କୁଆଁର ପୁନେଇଁ ଓ ଜହ୍ନି ଓଷା
- ଗଳ୍ପ : ଚନ୍ଦ୍ରଶେଖର ରଥ, ଶାନ୍ତନୁ କୁମାର ଆଚାର୍ଯ୍ୟ, ବିଭୂତି ପଟ୍ଟନାୟକ, ଜଗନ୍ନାଥ ପ୍ରସାଦ ଦାସ, ବୀଣାପାଣି ମହାନ୍ତି, ରାମଚଂଦ୍ର ବେହେରା, ନିମିତ୍ତ
- ରମ୍ୟ ରଚନା : ଚଉଧୁରୀ ହେମକାନ୍ତ ମିଶ୍ର
- ଦୂର ଅଦୂରର ଗଳ୍ପ : ଅଶୋକ ମିତ୍ରନ୍, କମଳା ଦାସ
- ଭ୍ରମଣ ବୃତ୍ତାନ୍ତ : ପବନ ପୁତ୍ରଙ୍କ 'ଅମୃତ ସନ୍ଧାନେ'
- ପରିଣୟ ବିଚିତ୍ରା : ଏଇ ନୂଆ ଧାରାବାହିକୀର ପ୍ରଥମ ପର୍ଯ୍ୟାୟରେ ମୁସଲମାନ୍ ବିବାହ
- ପ୍ରେରଣା : ତନ୍ତଶାଳାରେ ବିପ୍ଳବ
- ସାଂସ୍କୃତିକୀ : ଗଣକବି ବୈଷ୍ଣବ ପାଣିଙ୍କ ଉପରେ ସେକ୍ ମତଲୁବ ଅଲ୍ଲିଙ୍କ ଆଲେଖ୍ୟ
- ଛାୟା ଓ ମାୟା : ସାଧୁ ମେହେର ଓ ମିନାକ୍ଷୀ ଶେଷାଦ୍ରୀ
- ଅଂଗେନିଭା କଥା : ବିଶ୍ୱ ପ୍ରସିଦ୍ଧ ବାଘ ଖଇରି ଉପରେ ନନ୍ଦିନୀ ଶତପଥୀଙ୍କ ସ୍ମୃତିଚାରଣ
- ବିସ୍ମୃତ ବ୍ୟକ୍ତିତ୍ୱ : ଏକ ନୂଆ ଧାରାବାହିକୀର ପ୍ରଥମ ଅଧ୍ୟାୟ : କବିମଞ୍ଜୁଳ କୃଷ୍ଣ ପ୍ରସାଦ

ଅନ୍ୟାନ୍ୟ ନିୟମିତ ବିଭାଗ ସହ ସଚିତ୍ର, ରଙ୍ଗୀନ ଓ ଓଡ଼ିଆ ଭାଷାରେ ଏକ ଅନବଦ୍ୟ ପରୀକ୍ଷା । ୧୩୨ ପୃଷ୍ଠାର ସ୍ୱତନ୍ତ୍ର ପୂଜା ବିଶେଷାଙ୍କର ଦାମ୍ ମାତ୍ର ଟ.୧୫-୦୦ । ପତ୍ରିକା ପାଇଁ ଆପଣଙ୍କ ନିକଟସ୍ଥ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କୁ ଭେଟନ୍ତୁ । ଅଭିନବ ପ୍ରତୀକାତ୍ମକ ପ୍ରଚ୍ଛଦ, ରଙ୍ଗୀନ-ଦ୍ୱିପତ୍ରରେ ଆକର୍ଷଣୀୟ ପୁଟିଖେଳ ।

ଚିତ୍ର ଓ ବୈଚିତ୍ର୍ୟମୟ ଏ ଅଭିନବ ସମ୍ଭାର ଅବିଳମ୍ବେ ସଂଗ୍ରହ କରନ୍ତୁ !

লিচু

সুপ্ৰাচীন কালৰ কথা। চীনদেশৰ কবি এগৰাকীক দেশৰপৰা বহিষ্কৃত কৰা হ'ল—কেণ্টনলৈ। তাত তেওঁক আহাৰ্য্য হিচাপে দিয়া হ'ল এবিধ ফল। সেই ফল খাই কবিয়ে কৈছিল, "মোৰ এই বহিষ্কাৰ—পুৰস্কাৰেই হ'ল দেখিছোঁ। এনেহেন সোৱাদ ৰসাল ফল খাবলৈ পালে মই সদায়েই বহিষ্কৃত হ'বলৈ সাজু।"

কোৱা হয়, এই ফল বৌদ্ধপূৰ্ব যুগৰেপৰাই চীনদেশৰপৰা আমাৰ দেশলৈ আহিছিল। এই ফলৰ নাম—'লিচু' বা 'লিচি'। বিহাৰৰ মুজঃফৰপুৰ অঞ্চলত, বংগৰ হুগলি, দক্ষিণ চব্বিছ-পৰগণা আৰু মুৰ্শিদাবাদত, উত্তৰ প্ৰদেশৰ দেহ্ৰাডুনত, পঞ্জাৱৰ গুৰদাসপুৰত, তামিলনাডুৰ নীলগিৰি অঞ্চলত এই ফলৰ উৎপাদন সৰ্বাধিক। বিশ্বৰ লিচু উৎপাদনত ভাৰতৰ স্থান তৃতীয়।

লিচু গছ সদায় সেউজ। ১২ মিটাৰলৈকে ওখ হয়, ঠাল-ঠেঙুলিবোৰ পোন। এপ্ৰিলৰপৰা জুন মাহৰ ভিতৰত ফুলৰপৰা ডিম্বাকাৰ ফল ওপজে, পকিলে ৰঙচুৱা বৰণ লয়। ফলৰ বাকলি গুচালেই এটা টান গুটিৰে সৈতে কোমল শাহ ওলাই পৰে। এই কোমল শাহ খাবলৈ অতি মিঠা ৰসাল আৰু সোৱাদ, আৰু সুগন্ধৰে ভৰপূৰ। লিচুত ভিটামিন বি. চি. ডি. অধিক পৰিমাণে আছে। লিচুৰ গুটি ফুল, গছৰ ছাল-বাকলি ও ঔষধিগুণসম্পন্ন। লিচুৰ উদ্ভিদ-বিদ্যাগত নাম হ'ল Nephelium Litchi.

ভাৰতৰ ঋষিকুল—৬

ভৃগু

ভাৰতৰ কিছুমান বংশৰ নাম ঋষিকুলৰ সৈতে সংযুক্ত। ভাৰ্গৱ নামেৰে অভিহিত ঋষি ভৃগু-বংশজ বুলি খ্যাত।

ভাৰতৰ সুপ্ৰাচীনকালৰ অন্যতম ঋষি আছিল—ভৃগু। তেওঁ পূজ্য মহা-দেৱতাক বিচাৰি উলিয়াইছিল আৰু এই বিষয়ত অন্যান্য ঋষিৰ পথ-প্ৰদৰ্শক আছিল।

এবাৰ ভৃগু বিষ্ণু-দৰ্শনলৈ বৈকুণ্ঠধামলৈ গ'ল। তেতিয়া মহাবিষ্ণু যোগনিদ্ৰাত মগ্ন আছিল। ভৃগু বৈ থাকিল, কিন্তু মহাবিষ্ণুৰ যোগনিদ্ৰা ভংগ নহ'ল। তেতিয়া ভৃগু অকস্মাৎ ক্ৰোধিত হৈ মহাবিষ্ণুৰ বক্ষত গোৰ মাৰি দিলে। স্থিতিকাৰক মহাবিষ্ণু যদি ইমান গভীৰ যোগনিদ্ৰাত মগ্ন থাকে তেতিয়া সৃষ্টি-স্থিতিৰ কি হ'ব, এই কথাতে ভৃগুঋষি ক্ৰুদ্ধ হৈছিল। কিন্তু পাছ-মুহূৰ্ততে তেওঁ অনুতাপবিদ্ধ হ'ল।

ইতিমধ্যে মহাবিষ্ণু জাগ্ৰত হ'ল। তেওঁ মহাঋষি ভৃগুৰ পৰা নিজৰ ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলে। অতিথি সংকাৰত অমনযোগিতাৰ বাবে দুঃখ প্ৰকাশ কৰিলে আৰু যিখন চৰণেৰে তেওঁক গোৰ মাৰিছিল, সেইখন চৰণ পিটিক দিবলৈ ধৰিলে।

মহাবিষ্ণুৰ অপাৰ বিনয়-নম্ৰ আচৰণে ভৃগুক বিস্মিত কৰি তুলিলে আৰু তেওঁ অনুতাপত দগ্ধ হ'বলৈ ধৰিলে।

পাছত তেওঁ ঋষিসকলক ক'লে যে শান্ত সত্যস্বৰূপী মহাবিষ্ণু হ'ল সৰ্বাধিক পূজ্য, মহাবিষ্ণুয়েই হ'ল জন্ম-মৃত্যুৰ ধাৰক-বাহক, মহাবিষ্ণুয়েই হ'ল মুক্তিদাতা।

ভৃগুৱে ঘোষণা কৰিলে যে অগ্নিলৈ আহুতি প্ৰদানত মলিন পদাৰ্থ নিৰ্মল হয়।

মানৱৰ ভূত-ভৱিষ্যৎ তথা বৰ্তমানৰ সম্ভেদ প্ৰদানকাৰী 'ভৃগু-সংহিতা' নামৰ গ্ৰন্থখন মহাঋষি ভৃগু-ৰচিত জ্যোতিষ গ্ৰন্থ। জ্যোতিষ-শাস্ত্ৰত তেওঁৰ পাণ্ডিত্য যে গগন-পৰশা আছিল, ভৃগু-সংহিতা অধ্যয়ন তথা গবেষণা কৰিলে স্পষ্ট প্ৰমাণ পোৱা যায়।

চ্যৱন, শুক্ৰ, জমদগ্নি, পৰশুৰাম, বাল্মীকি প্ৰমুখ সুপ্ৰসিদ্ধ ঋষিসকল আছিল ভাৰ্গৱ-বংশীয় ঋষি।

জানিবলগীয়া

১. সম্ৰাট অশোকে সৰ্বপ্ৰথমে কেতিয়া তেওঁৰ শাসন ঘোষণা কৰিছিল ?
২. কোনখন দেশক 'প্যাগোডা'ৰ দেশ বুলি কোৱা হয় ?
৩. ভাৰতৰ কোন অঞ্চলত বনৰীয়া এছীয় গাধ পৰিলক্ষিত হয় ?
৪. আমেৰিকাৰ প্ৰধান ৰাজনৈতিক দল দুটাৰ নাম কি কি ?
৫. কোনো ৰান্ নোহোৱাকৈ চাৰিখন উইকেটৰ পতন ভাৰতৰ কোন টেস্টম্যাচত ক'ত হৈছিল ?
৬. ডেউকা নথকা চৰাইৰ নাম কি ?
৭. সংযুক্ত ৰাষ্ট্ৰসংঘৰ সৰ্বপ্ৰথম ভাৰতীয় মহিলা অধ্যক্ষা কোন ?
৮. ফুটবলত সৰ্বপ্ৰথম ১০০০ গোলদাতা কোন ?
৯. চোলদেশৰ ৰাজধানীৰ নাম কি আছিল।
১০. মহম্মদ গজনীয়ে কেতিয়া ভাৰত আক্ৰমণ কৰিছিল ?
১১. ভাৰতৰ কোনখন ৰাজ্যৰপৰা সৰ্বাতোকৈ অধিক লোকসভা-সদস্য নিৰ্বাচিত হয় ?
১২. তাজমহলৰ সমীপস্থিত নৈৰ নাম কি ?
১৩. আগ্ৰাৰ সমীপস্থ ফতেহপুৰ ছিক্ৰি নগৰখন কোনে স্থাপনা কৰিছিল ?
১৪. দ্বিতীয় চন্দ্ৰগুপ্তৰ বিখ্যাত নাম কি ?
১৫. সৰ্বাধিক মাংসাহাৰী জন্তু কি ?
১৬. ভাৰতত পোলিঅ' ক্লাব সৰ্বপ্ৰথমে ক'ত স্থাপিত হৈছিল ?
১৭. ভাৰতলৈ সৰ্বপ্ৰথমে বৰতোপ লগত লৈ অহা আক্ৰমণকাৰী কোন ?

জানক

১. খৃষ্টপূৰ্ব ২১৬ শতিকাত।
২. মিয়ানমাৰ (মানদেশ)।
৩. গুজৰাটৰ কচ্ছ প্ৰদেশ।
৪. ডেম'ক্ৰেটিক আৰু ৰিপাবলিক দল।
৫. ইংল্যাণ্ডত, ১৯৫২ চনত।
৬. নিউজিল্যাণ্ডৰ 'কিউই' চৰাই।
৭. বিজয়লক্ষ্মী পণ্ডিত।
৮. অস্ট্ৰীয়, কিন্তু জাৰ্মানিৰ হৈ খেলি থকা ফ্ৰাঞ্জ বিণ্ডাৰ।
৯. তাঞ্জাভুৰ।
১০. কৰ্নাটক-যুদ্ধ।
১১. উত্তৰপ্ৰদেশ।
১২. যমুনা।
১৩. বাদশাহ অকবৰ।
১৪. বিক্ৰমাদিত্য।
১৫. পোলাৰ ৰিছ্।
১৬. অসমত (১৮৫১ চনত, কাছাৰ ক্লাব)।
১৭. বাবৰ।

বাপেকৰ বিয়া

ধনীৰাম আৰু দুখীৰাম আছিল দুই এলেহুৱা। পৰিশ্ৰমৰ কাম-বনৰ আশে-কাষেও সিহঁত নাই যে—গাঁৱলীয়াই ভালেকৈয়েই জানে। এই কাৰণে সিহঁত দুয়োজনেই সদায় ই-গাঁও সি-গাঁওকৈ ঘূৰি ঘূৰি ঘৰে ঘৰে বিয়া-শৰাধ-উপনয়ন-অন্নপাশন ইত্যাদি খাই ফুৰিছিল।

এবাৰ দুয়ো এঠাইলৈ গ'ল। তেতিয়া দুপৰীয়া। গৈ গৈ গৈ গৈ—এঠাইত এৰেহা দ'ম খাই থকা দেখা পালে। দুয়ো ভাবিলে ঃ নিশ্চয় বিয়াৰ ভোজ হৈছে।

বছ। ধনীৰাম আৰু দুখীৰাম সেই ঘৰলৈ সোমাই গৈ নিমন্ত্ৰিতৰ দৰে খোৱা-পাতত বহি দিলে।

নিমন্ত্ৰিতসকলক আদৰি আনিবৰ বাবে তাত মানুহ এজন আছিল,তেওঁ এই অচিনাকি মানুহ দুজনক দেখি কিছু আচৰিত মানিলে আৰু বিনম্ৰভাৱে সুধিলে, "বেয়া নাপায় যদি—অনুগ্ৰহ কৰি ক'বনে—আপোনালোক কোন — ?"

ধনীৰামে টপৰাই কৈ উঠিল, "মই দৰাৰ শহুৰৰ ভিনিহীয়েৰ।"

দুখীৰামে ক'লে, "মোক চিনি পোৱা নাই আপুনি ? মই যে দৰাৰ খুড়াকৰ জোঁৱায়েক—নাজানেনে।

মানুহজনে দুজন ভৃত্যক হাত-বাউল দি মাতিলে আৰু সিহঁতক আদেশ কৰিলে, "এই দুটাক কাণত ধৰি ইয়াৰপৰা গতিয়াই উলিয়াই দিয়া।" ভৃত্যহঁতে গৰাকীয়ে কোৱামতে কাম কৰিলে।

পাছত ধনীয়ে দুখীক ক'লে, "দুখী, কেনেকৈনো আমি এই ভুল কৰিলোঁ ? কি হ'ল ক'চোন - ?"

দুখীয়ে ক'লে, "এই ভোজ বিয়াৰ ভোজ নাছিল, আছিল তেওঁৰ পিতাকৰ শৰাধৰ ভোজ। সেইহে বিয়া খাবলৈ আহি—আমি বাপেকৰ বিয়া দেখিলোঁ।"



মাতৃমন্ত্ৰ

নৰপতি আৰু নন্দৰাণী আছিল আদৰ্শ দম্পতি। এইহাল দম্পতিৰ তিনিজন ল'ৰা। ডাঙৰটো বিছ বছৰীয়া হ'ল যেতিয়া, তেতিয়া নৰপতিয়ে এক অজান বেমাৰত পাটী ল'লে। তেতিয়া নৰপতিৰ বয়স পঞ্চাছ আৰু নন্দৰাণীৰ চল্লিছ।

নন্দৰাণী আছিল পতিপ্ৰাণা তিৰোতা, পতিৰ সুখ-সুবিধাৰে সদা-সৰ্বক্ষণেই সজাগ। পতিৰপৰা ইটো লাগে সিটো লাগে বুলি নন্দৰাণীয়ে কদাপি জেউৰ ধৰা নাছিল, আৰু নৰপতিৰো সা-সম্পত্তি বোলা সিমান একো নাছিল। নন্দৰাণীয়ে কৈছিল : অদৃষ্টত যি আছে হ'বই, অদৃষ্টৰ আখৰ কোনেও খণ্ডাব নোৱাৰিব।

কিন্তু পতি নৰপতিয়ে পাটী লোৱাত নন্দৰাণী অতি বিয়াকুল হৈ উঠিল। জীৱনত যে এনেকুৱা বিচিত্ৰ পৰিস্থিতি হ'ব কেতিয়াবা, সেই কথাটো তাই কেতিয়াও ভবা নাছিল।

নন্দৰাণীয়ে ভগৱানক খাটিছিল : হে প্ৰভু, তেওঁক ভাল কৰি দিয়া, আন একোৱেই মোক নালাগে।

ক'ৰ কত যে বেজ-বৈদ্য আহিল-গ'ল, কিন্তু কোনেও নৰপতিৰ কি বেমাৰ হ'ল, কোনেও ক'ব নোৱৰা হ'ল।

তাৰ পাছত, হিমালয় পৰ্বতৰপৰা অহা এগৰাকী যোগীয়ে নৰপতিলৈ চাই ক'লে, "এওঁৰ দেহত কোনো বেমাৰ-আজাৰ নাই, আছে পূৰ্বজন্মৰ পাপ। সেই পাপৰ ফলতে এওঁৰ এই অৱস্থা। এওঁ যদি মোৰে সৈতে হিমালয় পৰ্বতলৈ যায় আৰু তপস্যাত ধৰে—ভাল হৈ যাব। কিন্তু তাত বিছ

ভদ্ৰেশ্বৰ চলিহা

বছৰলৈ মোৰ সৈতে থাকিব লাগিব।"

"বিছ বছৰ!"

নন্দৰাণীয়ে কৈ উঠিল, "কি কয়, যোগীবৰ? তেতিয়া আমাৰ কি হ'ব। আৰু—ইমানেই পাপীনে তেওঁ? তেওঁ দেখোন অত্যন্ত নিষ্ঠাৰে-সততাৰে আমাক অতকাল ধৰি পালন কৰি আছে, আমাৰ বাবে চোৱা-চিন্তা কৰি আছে!"

"পূৰ্বজন্মৰ পাপে কোনো মানুহক নেৰে। সেই কাৰণে—প্ৰতিজন মানুহে প্ৰতি জনমতে কিছু কিছু পুণ্য-কাৰ্য্য কৰিব লাগে। এই জনমৰ পুণ্যই অহা জনমত গুণ দিয়ে। এই জনমত যে তুমি এওঁৰপৰা মৰম পাই আছিলা—সেয়া আছিল তোমাৰ পূৰ্ব-জনমৰ পুণ্যফল।" যোগীয়ে বিমোৰত পৰা নন্দৰাণীক কথাবোৰ বুজাই ক'লে।

নন্দৰাণীয়ে যোগীৰ এই কথাত কোনো উত্তৰ নিদিলে। নৰপতিয়ে ভাবিলে: এনেকৈ অজান ব্যাধিৰ চিকাৰ হৈ পাটীত পৰি থকাতকৈ হিমালয়লৈ যোৱাটো কি বেয়া? যাবেঁই বাৰু যোগীৰ লগত, পাবোঁ যদি হ'বেঁই ভকত। কিন্তু নন্দৰণীৰ কি হ'ব। মোৰ অবিহনে — ল'ৰাইঁতে নন্দৰাণীক ঠিকমতে খাবলৈ-পিন্ধিবলৈ দিবনে? মোৰ তো নিজাকৈ সা-সম্পদো নাই। কি হ'ব তেন্তে?

নৰপতিৰ মনৰ কথা যোগীয়ে ঠাৰৰ কৰিব পাৰি ক'লে, "তোমাৰ ল'ৰাকেইজনে নিজৰ মাতৃক ভালকৈ চোৱা-মেলা কৰিব যে—তাৰো উপায় নথকা নহয়।"

যোগীয়ে নন্দৰাণীক আৰু ল'ৰা তিনিজনকো মাতিলে, আৰু তাৰ পাছত সকলোটিৰ আগত ক'লে, "তোমালোকক মই এটি বিশেষ কথা কওঁ, শুনা। নৰপতি তাৰ পত্নীৰ চিন্তাত ব্যাকুল হৈছে। কিন্তু পত্নীক লগত লৈ নৰপতি হিমালয়লৈ যাব নোৱাৰিব, নাৰীৰ প্ৰবেশ তাত ৰীতিৰ বাহিৰ। আৰু—ল'ৰাইঁতকো নন্দৰাণীয়ে

চোৰা-মেলা কৰিব লাগিব যে—ই-ও এক ঘাই বিষয়।" তাৰ পাছত যোগীয়ে ল'ৰা তিনিওলৈ চালে আৰু ক'লে, "মই তোমালোকক মাতৃমন্ত্র দিম। প্ৰতিদিন এই মন্ত্র আওৰাবা, আৰু মনে মনে মাতৃক পূজিবা। মাতৃক কেতিয়াও সামান্য দুখও নিদিবা, মাতৃয়ে কোৱা মতে সকলো কাম কৰিবা। যিজনে ভক্তি-শ্ৰদ্ধাৰে মাতৃক পাঁচ বছৰলৈ সেৱা কৰিব, সেইজনে পাঁচ বছৰৰ পাছত পাঁচ লাখ মুদ্ৰা পাব। যিজনে এই মহৎ দায়িত্ব ল'ব, সেইজনৰ ওচৰত মাতৃ থাকিব।"

"মাতৃ-অন্তৰ সদায়-সকলোতে পবিত্ৰ। মাতৃয়ে সন্তানলৈ নকৰিবলগীয়া কাম নাই। আপুনি কোৱা মতেই মই মাতৃৰ-সেৱা কৰিম। মা মোৰে সৈতে থাকিব।" ডাঙৰে যোগীবৰক ক'লে।

আৰু আন দুজন ল'ৰায়ো একেই কথা যোগীক ক'লে।

ক্ষন্তেকমান মৌন হৈ থকাৰ অন্তত যোগীয়ে ক'লে, "কিন্তু মাতৃৰ সেৱা—তোমালোকে একেলগে নকৰিবা, একে একে কৰিবা। প্ৰথম পাঁচ বছৰ ডাঙৰে, দ্বিতীয় পাঁচবছৰ মাজুৱে, আৰু—"

তিনিও একেলগে কৈ উঠিল, "মাক যেনেকৈ যি লাগে, তেনেকৈ জোখে জোখাৰে সেৱা নিশ্চয়েই কৰা হ'ব।"

"আই নন্দৰাণী, তুমি বৰ ভাগ্যশালিনী। তোমাৰ ল'ৰাহঁত—ৰত্নহেন।" যোগীয়ে ল'ৰাহঁতৰ শলাগ ল'লে।

তথাপি নন্দৰাণীৰ মুখ ক'লা পৰি থকাত যেতিয়া যোগীয়ে নন্দৰাণীকে বিষণ্ণতাৰ কাৰণ সুধিলে, তেতিয়া নন্দৰাণীক ক'লে, "যোগীবৰ, ল'ৰাহঁত এতিয়াও সৰু হৈ আছে, গতিকে সিহঁতে মাকে বৰ ভাল চকুৰে দেখিছে। কিন্তু—পাছত কি হ'ব—এতিয়াই কোৱা টান। আপুনি জানিছেই—আমাৰ কোনো সা-সম্পত্তিও নাই। মই যদি ডাঙৰৰ লগত

থাকোঁ, তেতিয়া আন ত্ৰুটিৰ কি হ'ব ?"

"আই নন্দৰাণী, পঁচ বছৰতে তুমি পাৰ হৈ সিপাৰ নোপোৱাগৈ। আন দুজনেও তোমাক তেনেকৈ ৰাখিব সেৰিব, আৰু সিহঁতো তেনেকৈ দহটকীয়া হ'ব। পঁচ বছৰৰ অন্তত ডাঙৰে পাঁচ লাখ পাব। এই ঘটনা দেখি—আন দুজনেও তোমাৰ আলপৈচান নিশ্চয় ধৰিব।" যোগীয়ে নিৰমল হাঁহিৰে ধেমালিৰ সুৰেৰে ক'লে।

"যোগীবৰ, আপোনাৰ কথা ঠিকেই। এইদৰে—মোৰ ডাঙৰ ল'ৰাটো যেতিয়া পঁচিছ বছৰীয়া হ'ব—সি পাঁচলাখ মুদ্ৰাৰ গৰাকী হ'ব, সি তেতিয়া হ'ব সাতত্ৰিছ বছৰীয়া। তাৰ ক্ষেত্ৰত কিঞ্চিত অন্যায় কৰা নহ'বনে ?" নন্দৰাণীয়ে ক'লে।

যোগীয়ে হাঁহিলে আৰু ক'লে, "তুমি কেৱল তোমাৰ ল'ৰাহঁতৰ ভৱিষ্যতৰ কথাহে ভাবিছা, সেই কাৰণেহে তেনেকৈ কৈছা। ল'ৰাহঁত সিহঁতৰ মাতৃৰ সৈতে থাকিব — তাতকৈ সৌভাগ্যৰ কথা আৰু নো কি ? লাখ-বিলাখ মুদ্ৰাও তাৰ আগত তেনেই তুচ্ছ। আৰু—ডাঙৰে যদি পাঁচলাখ পাই তোমাক এৰি যায়গৈ, তাৰে তাৰ দুৰ্ভাগ্য হ'ব বুলি নাভাবিবা।"

"যো গী ব ৰ, মোৰ আটাইকেইটি একেলগে বাঢ়ি উঠক — এয়া হ'ব নোৱাৰেনে ?" নন্দৰাণীয়ে সুধিলে।

যোগীয়ে ক'লে, "আই মোৰ, সিহঁতৰ ভাগ্য সিহঁতৰ হাততে। কিন্তু মই যেনেকৈ ব্যৱস্থা কৰিলোঁ, বিছ বছৰৰ অন্তত তোমাৰ পতিও পুনৰ ঘূৰি ঘৰ পাবহিয়েই। তোমাৰ আয়ুস আৰু চল্লিছ বছৰ।"

নন্দৰাণীক তথাপি মৌন-বিষণ্ণ দেখি যোগীয়ে নন্দৰাণীক পুনৰ ক'লে, "মাতা-পিতা আৰু সন্তান সদায় একেলগে হৈ থকাতকৈ ডাঙৰ ধন-ঐশ্বৰ্য্য জগতত আন একো নাই।" এই বুলি কোৱাৰ অন্তত যোগীয়ে নন্দৰাণীকে মাতৃমন্ত্ৰ প্ৰদানিলে।

পাপৰ গ্ৰাস

সুপ্ৰাচীন দিনৰ কথা। মিথিলানগৰত যশবৰ্ধন নামৰ এজন সাহসী-শক্তিমান ক্ষত্ৰিয় যুৱা আছিল। যশবৰ্ধন সাহসী-শক্তিমান—কিন্তু অতি ক্ৰোধান্ধ আছিল। তেওঁৰ বিৰুদ্ধে মাত মতাৰ দাঁত যদি কাৰোবাৰ হৈছিল, যশবৰ্ধনে তৎক্ষণাৎ সেইজনৰ মূৰ কাটি পেলাইছিল।

কথাতে বোলে — পাপে বাপকো নেৰে। গতিকে পাপে যশবৰ্ধনকো নেৰিব যে—সেই কথা নিঃসন্দেহে সত্য।

এদিন ৰজাৰ খুলশালীয়েকৰ সৈতে যশবৰ্ধনৰ ভয়ংকৰ বিবাদ লাগি পৰিল আৰু দুয়ো দুয়োকো টোঁৰাই তৰোৱাল উলিয়ালে। কিন্তু ৰজাৰ খুলশালীয়েকে তৰোৱাল যুদ্ধ আৰম্ভ কৰাৰ আগতেই যশবৰ্ধনে তেওঁক ঘপিয়াই মাৰি পেলালে।

এই বাতৰি পাই মহাৰাজে অগ্নিবৰ্ণ-ধাৰণ কৰিলে, আৰু যশবৰ্ধনক তৎক্ষণাৎ বন্দী কৰিবলৈ বা মুণ্ড কাটিবলৈ প্ৰহৰীহঁতক কটকটীয়াকৈ আদেশ দিলে।

জীয়াই থাকিবলৈ হ'লে যে এই দেশ এৰি গুচি যোৱাৰ বাহিৰে উপায় নাই—সেই কথা যশবৰ্ধনে বুজাকৈ নাথাকিল আৰু তৎক্ষণাৎ ঘোঁৰাত উঠি পলাই যাবলৈ ওলাই পৰিল।

গৈ গৈ যেতিয়া ভাগৰ লাগিল, তেতিয়া যশবৰ্ধনে ভাবিলে: এতিয়া নিশ্চয় দেশৰ সীমা পাৰ হৈ আহিছোঁ।

কিন্তু ৰজাৰ সৈন্যহঁতে এতিয়াও পিছ খেদি আছে বুলি যশবৰ্ধনৰ মনত দৃঢ় ধাৰণা হ'ল আৰু তেওঁ পুনৰ ঘোঁৰাৰ পিঠিত উঠি বেগাই গৈ থাকিল।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

এইদৰে গৈ গৈ তেওঁ সৰু সৰু টিলা থকা অতি নয়নমনোহৰ ঠাই এডোখৰ পালেগৈ। এনেহেন শোভাময় ঠাই যশবৰ্ধনে ইতিপূৰ্বে দেখাও নাছিল, শুনাও নাছিল। চাৰিওফালে চাই তেওঁ ভাবিলে : এতিয়া আৰু নিশ্চয় ৰজাৰ প্ৰহৰীহঁতে মোৰ পিছ খেদি থকা নাই। মই এতিয়া নিশ্চয় নিৰাপদ।

অলপ পাছত তেওঁ এটা টিলাৰ টিঙত উঠিলগৈ, আৰু তাৰপৰা এখন অভাৱিত সুন্দৰ নগৰ তেওঁ দেখা পালে।

এই সুন্দৰ নগৰখন দেখা পাই জীৱ ঘূৰাই পোৱা যেন পাই তেওঁ ভাবিলে : এই নগৰ নিশ্চয় আন কোনোবাখন দেশৰ নগৰ বা ৰাজধানী হ'ব। ইয়াতে নিঃচিন্ত মনেৰে জীৱনযাপন কৰিব পাৰিম।

এইবোৰ কথা ভাবি ভাবি তেওঁ টিলাৰপৰা তললৈ নামি আহিল, আৰু তাত গৰখীয়া এজনক পাই সুধিলে যে সেই নগৰখনৰ নাম কি।

গৰখীয়াই ক'লে, "নগৰখনৰ নাম—ন্যায়নগৰ।"

পুনৰ ঘোঁৰাৰ পিঠিত উঠি যশবৰ্ধন সেইখন ন্যায়নগৰলৈ গ'ল। এনেহেন সুন্দৰ নগৰ এখন আগতে কেতিয়াও দেখা তো নাছিলেই, এনেহেন সুন্দৰ নগৰৰ কথা তেওঁ কল্পনাও কৰিব পৰা নাছিল।

নগৰখনৰ প্ৰতিছোৱা বাট-পথ আছিল ফু মাৰি ভাত খাব পৰাকৈ চাফ-চিকুণ। ক'তো হাই-হুই নাই। দোকান-পোহাৰ-খিনিও বৰ সুন্দৰ। দোকান এখনও থিয়ৈ থিয়ৈ দোকানীয়ে-গ্ৰাহকে কথা পাতি থাকোঁতে এজন যুৱকে দোকানৰপৰা কিবা এটা বস্তু চুৰ কৰিলে আৰু তৎক্ষণাৎ তাৰপৰা খোজ ল'লে। ঘটনাটো যশবৰ্ধনে দেখা পাই ভাবিছিল : ইমান ধুনীয়া নগৰখনতো এনেকুৱা মানুহ আছেনে? আৰু—এই কথা ভাবি থাকোঁতেই এক অভাৱিত ঘটনা ঘটিল, সেই চোৰ যুৱক-

জসৰ ভৰিৰ তলৰ মাটি হঠাৎ ফাটি গ'ল আৰু সেই যুৱকক মাটিয়ে গ্ৰাস কৰিলে, আৰু মাটি পুনৰ আগৰ দৰে হৈ গ'ল।

নিজ চকুৰে এনেহেন অকল্পনীয় ঘটনা দেখা পাই যশবৰ্ধন বিস্মিত-স্তম্ভিত হ'ল; কিন্তু এই নগৰৰ অধিবাসী বাটকৰুৱাহঁত এই ঘটনাত অলপো আচৰিত নহ'ল. তেওঁলোকে গাৰ নোম ডাল ডাল হোৱা এই ঘটনা দেখা পায়ো সামান্যমানো বিচলিত নহ'ল, যেনিবা এয়া স্বাভাৱিক ঘটনাহে!

যশবৰ্ধনে উপলব্ধি কৰিলে যে এই নগৰৰ মানুহবিলাকৰ কিছুভাগ মানুহ নিশ্চয় এনেকৈ ভূভাগ হুভাগ হৈ মৰে, অন্যায়কাৰীৰ বিচাৰ—ধৰিত্ৰীয়েই কৰে।

যশবৰ্ধনে ভাবিলে: ইয়াত—মোৰো বাৰু এই দশা নহ'বনে? পাপে মোকো গ্ৰাস নকৰিবনে? পাপৰ গ্ৰাসৰপৰা মই সাৰিব পাৰিমনে?

হঠাৎ যশবৰ্ধনৰ কাণত পৰিল এযাৰ গম্ভীৰ কথা: পুত্ৰ, তুমিনো ক'ৰ মানুহ?"

যশবৰ্ধনে ঘূৰি চালে। এগৰাকী বৃদ্ধ সাধু তাত দণ্ডায়মান। যশবৰ্ধনে ক'লে, "মই—মই মিথিলানগৰৰ।"

"তোমালোকৰ মিথিলানগৰত—মৃত্যু কি বুলি—কেনেকৈ আহে? তাত অকস্মাৎ কোনোবা নমৰেনে? মৃত্যুভয়ত পাপ কৰাৰপৰা বিৰত হৈ থাকেনে?"

সাধুৰ কথাত যশবৰ্ধনৰ জ্ঞানোদয় হ'ল আৰু তেওঁ সেই সাধুৰ চৰণত দীঘল দি পৰি ক'লে, "হে মহাত্মা, ময়ো এক ঘোৰ পাপী, মৃত্যুৰ হাত সাৰিবলৈহে মই ইয়ালৈ আহিছোঁ। ইয়ালৈ অহাৰ পাছতহে জানিলোঁ— পাপৰ গ্ৰাসৰপৰা কাৰো ৰক্ষা নাই। কৃপা কৰি মোক পুণ্যমাৰ্গৰ উপদেশ প্ৰদান কৰক।"

সাধুৱে যশবৰ্ধনক পুণ্যমাৰ্গৰ তথা ধৰ্মমাৰ্গৰ পথ-প্ৰদৰ্শন কৰি পাপমুক্ত হোৱাৰ উপদেশ প্ৰদান কৰিছিল।


Say "Hello" to text books and friends
'Cause School days are here again
Have a great year and all the best
From Wobbit, Coon and the rest!



SUPER RUBBER
It's time to go back to school again. Time for text books. Time for games. Time to meet old friends. And make new ones. Time to start studying again. Because there's so much to learn about the world around you.
From all of us here at Chandamama, have a great year in school. And remember to tell us what you've learnt everyday, when you come home from school !
THE
CHANDAMAMA
COLLECTION
ARTIG1246

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৫ চনৰ ডিছেম্বৰৰ মাহৰ সংখ্যাত প্ৰকাশিত হ'ব।

Bhanu



Tajy Prasad

- ফটো-নামকৰণ দুই-তিনটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৫ চনৰ অক্টোবৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৫ চনৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : নাচ হ'ল কুচকাৱাজ

দ্বিতীয় ফটো : কুচকাৱাজ হ'ল নাচ

নৰজিৎ কোঁৱৰ, বৈঠালাংচু, কাৰবি-আংলং, অসম।

[পুৰস্কাৰৰ ১০০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব।]

ভাৰতত বছৰেকীয়া বৰঙনি **চান্দমামা** ৬০.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA

Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada,
Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs.**117.00** By Air mail Rs. **264.00**

**FRANCE, SINGAPORE, U.K., U.S.A.,
WEST GERMANY & OTHER COUNTRIES**

By Sea mail Rs. **123.00** By Air mail Rs. **264.00**

**Send your remittance by Demand Draft or Money Order favouring
'Chandamama Publications' to:**

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

CHANDAMAMA (Assamese) October 1995 Regd. No. TN / MS (S) 87

সোৱাদলগা, মজালগা

কোকোনাকা কুকীজ্

আচল নাৰিকলেৰে প্ৰস্তুত

– কৃত্ৰিম সোৱাদেৰে নহয়!

Visesh/M/NC/./Asm/02

nutrine

নিউট্ৰিন

কোকোনাকা

কুকীজ্